**Proceedings of the Eighth Session of the Assam Legislative Assembly assembled after the Second General Election under the Sovereign Democratic Republican Constitution of India**

The Assembly met in the Assembly Chamber, Shillong at 10 a. m. on Tuesday, the 1st March, 1960.

PRESENT

Shri Mahendra Mohan Choudhury, B.L., Speaker in the Chair Eight Ministers, Four Deputy Ministers and seventy-six Members.

---

## UNSTARRED QUESTIONS

(To which answers were laid on the table)

### Rajbanshi Community of Goalpara District

**Shri BHUBAN CHANDRA PRADHANI** (**Golakganj**) asked :

2. Will the Chief Minister be pleased to state—

(*a*) Whether a backward community called Rajbanshi of Goalpara District in Assam represented to the State Government some time in 1940 for special consideration in the matter of appointments in public services by way of a reserved percentage proportionate to population ?

(*b*) Whether it is a fact that after consideration of the said representation the Assam Government issued a directive on 1st July, 1940, to the effect that the claim of this backward community should be considered at the time of filling vacancies by the Hindus ?

(*c*) Whether these directives have been acted upon ?

(*d*) If so, what is the percentage of the appointments made since July, 1940 from this community and in which category or categories of public services ?

(*e*) If not, why not ?

**Shri BIMALA PRASAD CHALIHA (Chief Minister)** replied :

2. (*a*)—Yes.

(*b*)—Yes. But it was decided that no separate group could be created for them in the nationality statement for recruitment to services.

(*c*)—Government have no information to the contrary.

(*d*)—As the Rajbanshi community was not treated as a separate group, there was no mention of this community in the nationality statement for recruitment to public services prepared on the basis of 1941 Census. No information is therefore available to show the representation of this community.

(*e*)—Does not arise.

**Shri BHUBAN CHANDRA PRADHANI** (**Golakganj**) : Sir, in reply to question (*b*) it has been stated—Yes. But it was decided that no separate group could be created for them in the nationaly statement for recruitment to services. May I know why the benefit of Circular, dated 1st July could not be given at the time of filling up the vacancies by the Hindus ?

**Shri BIMALA PRASAD CHALIHA** : This circular was issued by the Chief Secretary to the Commissioner of Divisions, Deputy Commissioners, Assam Valley, Heads of the Departments and Director, Veterinary Department :

"I am directed to say that the Rajbanshi of Goalpara District have represented to Government that they may be given special consideration in the matter of appointments in the Public Services by way of reserved percentage proportionate on population. The Governor of Assam has given full consideration to their representation and has been pleased to order that while no separate group can be created for them in the nationality statement for recruitment to services, the claims of this "backward" community should be considered at the time of filling vacancies by Hindus".

This is the circular dated 1st July 1940.

**Shri MOHI KANTA DAS** (**Barchalla**) : Sir, in reply to question (*c*) —'whether these directives have been acted upon' it has been stated that 'Government have no information to the contrary'. May I know whether the directives have been implemented ?

**Shri BIMALA PRASAD CHALIHA** : So far we have no information about this.

**Shri BHUBAN CHANDRA PRADHANI** : May I know why the benefit extended by the Government to this community has been refused by the Deputy Commissioner, Goalpara as this circular is not traceable in the said office.

**Shri BIMALA PRASAD CHALIHA** : Of course records are maintained for certain number of years. I understand that records in respect of this case were destroyed.

**Shri HIRALAL PATWARY (Panery)** : চাৰ, আমি প্ৰশ্ন পঠোৱা স্বত্বেও কিয় ইমান কম প্ৰশ্ন সদনলৈ আহিছে বুজিব পৰা নাই ?

**Mr. SPEAKER** : I have already taken steps.

## Debate on the Governor's Address

**Shri RADHA CHARAN CHOUDHURY (Boko):** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি ৰাজ্যপালৰ ভাষণৰ আলোচনা প্ৰসঙ্গত বিৰোধী সদস্য শ্ৰীবীৰেন্দ্ৰ দাস ডাঙৰীয়াই অভিযোগ কৰিছিল যে নিবনুৱা সমস্যা সমাধানৰ ব্যৱস্থা কৰা হোৱা নাই। এই অভিযোগ সঁচা নহয়। ইয়াৰ সমাধানাৰ্থে চৰকাৰে শিল্প প্ৰতিস্থাৰ কাৰণে বিশেষ চেষ্টা চলাই আছে। পঞ্চায়ত আইনৰ তদথ কমিটিৰ কথাটো আপত্তি কৰিছে যে মনোনয়ন ব্যৱস্থাত আঁসোৱাহ আছে। কিন্তু ফঁহিয়াই চালে দেখিব সেই আপত্তি ভিত্তিহীন। শ্ৰীডেকা ডাঙৰীয়াও আপত্তি কৰিছে যে বানপানীৰ ক্ষেত্ৰত চৰকাৰী ব্যৱস্থা যথেষ্ট হোৱা নাই। ইয়াতো দেখা যায় চৰকাৰী ব্যৱস্থা কাৰ্য্যকৰী হৈছে।

State Trading সম্বন্ধে সকলোৰে মনত আশঙ্কাৰ ভাব দেখা গৈছে। মোৰ বোধেৰে এই আঁচনিৰ উদ্দেশ্য সজ। ইয়াৰ দ্বাৰা আমাৰ কৃষকৰ বিশেষ উপকাৰ হব বুলি ভাবো। এইটো চৰকাৰৰ প্ৰথম প্ৰচেষ্টা। গতিকে অলপ খেলি মেলি হোৱা স্বাভাৱিক। কিন্তু সকলোৰে সহযোগ হলে ইয়াক নিখুট কৰিব পৰা হব বুলি মোৰ বিশ্বাস। তাকে নকৰি যদি বিৰোধী প্ৰচাৰ কৰা হয় তেন্তে কৃষকৰ উন্নতিত বাধা হব বুলি মই ভাবো। আমাৰ ছয়গাঁৱত State Trading ৰ মাৰ্কেটিং চোচাইটি হৈছে আৰু আমি ভাল পাইছো ইয়াৰ পৰা বাইজৰ ভাল হব। আমি যি আঁসোৱাহ পাইছো সেই কথা মন্ত্ৰীক জনাইছো, কৃষকে বজাৰত ধান বেচিবলৈ আহে কাৰণ তেওঁলোকক টকাৰ দৰকাৰ; হয়তো কাৰোবাক গৰু কিনিবলৈ টকা লাগে, কাৰোবাক বিয়া পাতিবলৈ আৰু কাৰোবাক লৰা ছোৱালীৰ পঢ়াৰ বাবে টকা লাগে। কিন্তু চোচাইটিয়ে ধান কিনি লগে লগে টকা দিব নোৱাৰে। কেতিয়াবা কয় টকা গধুলিকৈ দিব বা পিচ দিনা দিব নতুবা এসপ্তাহৰ পিচত দিব। এইদৰে বাকী দিলে কৃষকৰ অসুবিধা হয়। ইফালে বেপাৰী সকলে নগদ টকা দি ধান কিনে। গতিকে চৰকাৰে নগদ টকা দিব লাগে। সকলো ঠাইতে Service Co-operative নোহোৱাৰ বাবে ধান বহু দূৰ কঢ়িয়াই আনিব লাগে আৰু সেই বাবে তেওঁলোকে বস্তা কিনিব লগা হয় আৰু গাড়ী ভাৰা ভৰিব লগা হয়। এইবোৰতো অযথা টকা খৰচ হয়। গতিকে এই Service Co-operative গাঁৱে গাঁৱে হলে ভাল হয়।

গাঁৱৰ মানুহে খেতিৰ সময়তে মাৰোৱাৰী সকলৰ পৰা টকা ধাৰ লয় আৰু খেতিৰ পিচত টকা দিব নোৱাৰিলে কৃষকৰ পৰা মাৰোৱাৰীয়ে বেচিকৈ কম মূল্যতে ধান লৈ যায়।

(*Voice*—মাৰোৱাৰীৰ কথা কিয় হৈছে ? সেই বিলাক ব্যৱসায়ী........)

মই ব্যৱসায়ী বুলিয়েই কৈছো। গতিকে তেতিয়া ১৲ টকা ১॥ টকা কমত ধান দিব লগা হয়। এইটো ঠিক হোৱা নাই। আমাৰ State Marekting Society গঠন কৰা সময়ত আমি ভাবিছিলো যে মধ্যস্থ মুণাফাখোৰ নাইকীয়া হব কিন্তু সেইটোৱে নোহোৱাত কৃষকসকলৰ বৰ অসুবিধা হৈছে।

**M. MOINUL HAQUE CHOUDHURY (Minister, Agriculture, etc.):** May I intervene ? I think the hon. Member is speaking about a particular area and not generally. May I know the name of that area. please ?

**Shri RADHA CHARAN CHAUDHURY:** মই ছয় গাঁৱৰ কথা কৈছো। অৱশ্যে মই State Trading টো বেয়া বুলি কোৱা নাই। ইয়াৰ কৰ্ম্মচাৰী সকলে যেনেকৈ কাম কৰিব লাগে তেনেকৈ কাম কৰা নাই। এই কাম চৰকাৰে হাতত লৈছে যেতিয়া সাধ্যানসাৰে মধ্যবৰ্ত্তী মুণাফাখোৰ গুচাই দিব লাগে।

শ্ৰীতৰুণ সেন ডেকা ডাঙৰীয়াই সংশোধনী প্ৰস্তাৱত কৈছে যে চৰকাৰে প্ৰাইমেৰী শিক্ষকৰ দৰমহা ভাটা আদি বিষয়ে একো কৰা নাই। তেখেতে এই কথা কেনেকৈ কলে মই বুজিবলৈ টান পাইছো। কাৰণ ৫ বছৰ আগতে প্ৰাইমেৰী শিক্ষক সকলৰ দৰমহা আছিল ১২ টকাৰ পৰা ১৬৲ টকা ; কিন্তু এতিয়া তাৰ ঠাইত ৬০৲।৬৫৲ টকা কৰিছে। সকলোৱে জানে স্কুলৰ সংখ্যা কিমান গুণ বেচি হৈছে ইমান বিলাকত ইমান সোনকালে আৰু দৰমহা বঢ়াবলৈ কিমান টান কথা। এই কথা আমি সকলোৱে উপলব্ধি কৰা উচিত।

কৰ বঢ়োৱাত তেখেত সকলে আপত্তি কৰিছে। কৰো বৃদ্ধি হব নালাগে আৰু দৰমহাও বৃদ্ধি হব লাগে। কিন্তু তেখেত সকলেতো চৰকাৰৰ আয় বৃদ্ধিৰ অন্য বাট দেখুৱাই দিয়া নাই। আজি চৰকাৰেও কৈছে যে বাইজৰ আৰু দেশৰ অবস্থা ভাল হোৱাৰ লগে লগে অকল শিক্ষকৰে নহয় সকলোৰে দৰমহাও বাঢ়িব। তেখেত সকলে কৈছে যে চৰকাৰে প্ৰাইমেৰী শিক্ষক সকলৰ ৫৲ টকা allowance টো কাটি দিছে। কিন্তু এইটো সাময়িক ভাবেহে কৰা হৈছে। পিচত আকৌ সেইটো প্ৰযোজ্য হব। এনে স্থলত তেখেত সকলে শিক্ষক সকলৰ মাজত এটা Popularity তৈয়াৰ কৰিবলৈ এনে খামখেয়ালী কথা কোৱা উচিত নহয়।

আকৌ কৈছে যে Welfare State হিচাবে কোনো clear cut কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা নাই। কিন্তু ৪ পৃষ্ঠাত চালে দেখিব যে, "Defence and Security arrangements and the prevention of crime are of the utmost importance, but other economic activities are equally so, specially in the context of our desire to build up a Welfare State". Welfare State এখন তৈয়াৰ কৰা যে চৰকাৰৰ নীতি সেই কথা ইয়াত স্পষ্ট হৈছে।

Land Reform হোৱা নাই বুলি কৈছে। চৰকাৰে কৰিয়েই আছে, অৱশ্যে সম্পূৰ্ণ হোৱা নাই বুলি কব পাৰে। কিন্তু এই কাম কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে।

তাজউদ্দিন চাহাবে কৈছে মাটি কৃষকক দিয়া নাই, আৰু তেখেতৰ মানুহ বিলাকক একেবাৰেই দিয়া নাই। কিন্তু জলজলী বিজাৰ্ভত ৫ হাজাৰ বিঘা মাটি খুলি দিছে তাত আমাৰ মানুহো আছিল কিন্তু তাজউদ্দিন চাহাবৰ মানুহকহে দিছে।

(*Voice*—তাজউদ্দিন চাহাবৰ মানুহ মানে কি ?)

**Mr. SPEAKER:** তেখেতৰ সমষ্টিৰ মানুহ।

**Shri RADHA CHARAN CHOUDHURY (Boko):** কৰ বহুৱালেও দুখীয়া মানুহৰ ওপৰত কৰৰ বোজা পৰা নাই। যি সকল কৃষক আছে তেওঁলোকে বিঘাৰ মাটিত আগতে ১২ অনাকৈ খাজনা দিছিল আৰু এতিয়া ১৮/ অনা দিয়ে। গতিকে মাত্ৰ ৬ অনা পইছা বেচি দিছে। আগতে চৰকাৰী আয় বেছি আছিল প্ৰায় ৩ কোটি টকা কিন্তু বৰ্ত্তমান আয় প্ৰায় ৭০ কোটি টকা হৈছে। আজি মৰাপাটৰ দাম ৩০।৪০ টকা পাইছে। Forest Reserve ত বিঘাৰ মাটিত মাত্ৰ ৬ অনা খাজনা দিয়ে। এই বিলাকলৈ চালে সৰ্ব্বসাধাৰণৰ ওপৰত কৰৰ বোজা পৰা বুলি কলে ভুল হব। যদি বোজা হৈছে সেইটো ধনী আৰু ব্যৱসায়ী শ্ৰেণীৰ ওপৰতহে বেচি হৈছে। আজি কালি আয় কৰো এক লাখৰ ওপৰত শতকৰা ৫০ ভাগ হৈছে। গতিকে বিৰোধী সদস্য সকলে যি অভিযোগ আনিছে সি সত্য নহয়।

কোৱা হৈছে যে শিক্ষাৰ সুবিধা বেচি হব লাগে। কিন্তু প্ৰকৃততে চৰকাৰৰ সামাজিক শিক্ষাৰ ব্যৱস্থাটো বৰ প্ৰশংসনীয় হৈছে। বহু ঠাইৰ পৰাই নানা শিক্ষাবিদ লোক আহি এই ব্যৱস্থা সুন্দৰ হৈছে বুলি কৈ গৈছে।

'কালচাৰেল একটি ভিটিজৰ' কাৰণে, সেই বিলাক কৃষ্টি সাধনৰ উদ্দেশ্যে চৰকাৰে টকা দিছে। 'চিডিউল্ দ কাষ্ট', 'চিডিউল্ দ ট্ৰাইবচ্' আৰু অন্যান্য পিচপৰা সম্প্ৰদায় সকলৰ শিক্ষাৰ কাৰণে হাজাৰ হাজাৰ টকা খৰচ কৰা হৈছে আৰু হাইস্কুলৰ মনলৈকে এওঁলোকৰ লৰাছোৱালীক বিনা মাচুলে শিক্ষা দিছে আৰু অন্যান্য স্তৰৰ যেনে এম,ই, স্তৰতো বিনা মাচুলে পঢ়াৰ আচনি আছে। এই দৰেই Education facilities দিনক দিনে বঢ়াই নিয়া হৈছেই।

তাৰ পিচত মদ নিবাৰণী ক্ষেত্ৰত চৰকাৰে যি ব্যৱস্থা লৈছে সেই ব্যৱস্থা আৰু অধিক অঞ্চললৈ সম্প্ৰসাৰিত কৰিলে ভাল হয়। অহা ১লা এপ্ৰিলৰ পৰা, এই অভিযান আইন নগাওঁলৈকে বিস্তাৰ কৰা হব। মই কব খুজিছো যে এই আইন পহিলা এপ্ৰিলৰ পৰা পশ্চিমে গোৱালপাৰালৈকে বিস্তাৰ কৰিলে ভাল হয় কাৰণ কামৰূপৰ অঞ্চল সমূহত মদ খাবলৈ অসুবিধা পোৱাত মানুহ বিলাক ধোপধৰাত মদ খায় গৈ আৰু সেই কাৰণে গোৱালপাৰালৈকে এই আইন বলবত কৰিলে মদ নিবাৰণী অভিযান বেচি কাৰ্য্যকৰী হৈ উঠিব।

(সময়ৰ সংকেট)।

**Mr. SPEAKER**: Your time is up:

**Shri RADHA CHARAN CHOUDHURI (Boko)**: প্ৰথম বাৰৰ কাৰণে এইবাৰ অন্যান্য পিচপৰা সম্প্ৰদায়ৰ লৰাছোৱালীৰ শিক্ষাৰ কাৰণে ৫ লাখ টকা খৰচ কৰিবলৈ ওলাইটো সুখৰ কথা। আশা কৰো ইয়াৰ দ্বাৰাই দেশৰ মঙ্গল সাধন হব।

তাৰ পিচত, ভাৰত-পাকিস্থানৰ সীমান্ত ঘটনাৱলী আৰু তাৰ আপোচ মীমাংসাৰ কথা ৰাজ্যপালৰ ভাষণত যি কৈছে সি সন্তোষ জনক আৰু তাত যে পাকিস্থানৰ আন্তৰিকতাৰ পৰিচয় আছে, টুকেৰ গ্ৰাম ঘুৰাই পোৱাই উদাহৰণ। আশা কৰো এই মৈত্ৰী ভাব আৰু বন্ধুত্বৰ সূত্ৰ স্থায়ী হয়। তাৰ লগতে এই কথাকো উল্লেখ নকৰি নোৱাৰো যে ভাৰত-চীন সীমান্তৰ ঘটনাৱলীয়ে আজি দীৰ্ঘদিন ধৰি যি বেমেজালিৰ সৃষ্টি কৰিছে তাৰ সমাধান ক্ষেত্ৰত ভাৰতৰ প্ৰধান মন্ত্ৰী নেহেৰুজীৰ প্ৰচেষ্টা শলাগিব-লগীয়া। অহিংস নীতিৰে এই কাৰ্য্য সমাধান কৰাৰ প্ৰচেষ্টাত তেখেতে চীনৰ প্ৰধান মন্ত্ৰীক ভাৰতলৈ আমন্ত্ৰণ কৰাৰ কথা সকলোৱে জানে আৰু এই প্ৰচেষ্টাত সাফল্য মণ্ডিত হব বুলি আশা কৰিলো।

তাৰ পিচত Communication ক্ষেত্ৰত অসমৰ লগত ভাৰতৰ যি transport bottle-neck সেই দুৰৱস্থাৰ অৱসান ঘটিব ব্ৰহ্মপুত্ৰৰ ওপৰৰ দলং নিৰ্ম্মান হোৱাৰ পিচৰ পৰা আৰু এই প্ৰসঙ্গতে চেৰাপুঞ্জীৰ 'ৰপৱে' (Ropeway) ৰ উল্লেখ কৰি কব পাৰি যে এই 'ৰপৱে' পূৰা হলে বহুতো উপকাৰ আসামৰ হব।

তাৰ পিচত পুলিচ বিভাগৰ কথালৈ আঙুলীয়াই ৰাজ্যপালে ভাষণত যি প্ৰকাশ কৰিছে তাৰ পৰা এইটো নিশ্চিত যে ৰাজ্যত চোৰ ডকাইত আদি সমাজ বিৰোধী কাৰ্য্যকলাপ ধীৰে ধীৰে কমি আহিছে এইটো দেশৰ কল্যাণ আৰু মুক্তিৰ পৰিচায়ক। ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো আৰু শ্ৰীযুক্তা চন্দৰ শলাগণী প্ৰস্তাব সমথন কৰিলো।

**Shri PHANI BORA (Nowgong)**: মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ আগম চৰকাৰৰ যোৱা এবছৰৰ কাৰ্য্যকলাপ আৰু তাৰ বিশ্লেষণ আৰু অহা বছৰৰ কৰিব লগীয়া কাৰ্য্যসূচীৰ ওপৰত নীতিগত বিবৃতি বুলি ধৰিব লাগিব। সেই কালৰ পৰা ৰাজ্যপালে যি বক্তৃতা দিছে—আৰু তাৰে সমৰ্থন কৰি শাসক দলৰ তৰফৰ পৰা যি বিশদ আলোচনা কৰিছে তাক মনোযোগ সহকাৰে শুনি এই কথা কব লাগিব যে, এই বিবৃত্তিৰ ভিতৰত যোৱা বছৰটোৰ চৰকাৰৰ যি কাৰ্য্য কলাপ আৰু কাৰ্য্যকলাপৰ পৰ্য্যালোচনা কৰা হল—তাত প্ৰকৃততে আত্মসমালোচনা নাই আৰু অহা বছৰৰ কাৰণে যি কাৰ্য্যসূচী নিৰ্ব্বন্ধ কৰা হৈছে—তাত জনগণক উৎসাহ উদ্দীপনা দিব পৰা সমল নাই আৰু দেশৰ জনগণৰ মঙ্গল কল্যাণ আকাঙখাক উপেক্ষা কৰি কেৱল আজিৰ এই সদনৰ শাসক দলৰ সদস্য সকলেই আনন্দিত হব পাৰে যদিও যোৱা বছৰৰ কাৰ্য্যকলাপ আৰু অহা বছৰৰ কাৰ্য্যসূচী আৰু চৰকাৰৰ অনুসৰনীয় নীতি মূলতঃ অকৃতকাৰ্য্য হৈছে। মুঠৰ ওপৰত কব লাগিব আৰু মই এই কথা কবলৈ বাধ্য যে, এই বিবৃতি যথেষ্ট ভাবে ফোপোলা বিবৃত্তি আৰু যি সকলে ইয়াক সমৰ্থন কৰি বক্তৃতা দিছে—. .........

(ফোপোলা শব্দটো un-parliamentary...voices)

**Mr. SPEAKRR**: The word 'Hollow' is Parliamentary.

**Shri PHANI BORA**: তেওঁলোকে আত্মসমালোচনা ত্যাগ কৰি আত্ম-সন্তুষ্টিৰ দলীয় মনোভাবহে প্ৰদৰ্শন কৰিছে আৰু ইয়াৰ দ্বাৰা দেশৰ বৃহৎ স্বাৰ্থ আগবঢ়াই নিয়াৰ কাৰণে জনগণৰ সহযোগাতা পাব নোৱাৰে সহযোগীতা মানে যদি চৰকাৰৰ যি কাৰ্য্যসূচী তাক সকলোৱে মানী লব লাগিব কংগ্ৰেছ দলে দহ বুলিলে ১০ বুলিব লাগিব তেন্তে সি সহযোগীতাৰ আহবান নহয় অনুসৰণৰহে আহবান। শাসক দলে এইটো লক্ষ্য কৰা নাই যে, এই কাৰ্য্যক্ৰমত দেশৰ জন সাধাৰণৰ মঙ্গল সাধন হবনে নহয় বা পীড়িত জনসাধাৰণে এই কাৰ্য্যসূচীত উৎসাহ উদ্দীপনাৰে অংশগ্ৰহণ কৰি তেওঁলোকৰ প্ৰবলবেগে বাঢ়ি অহা বহুমুখী সমস্যাৰ সমাধান কৰিব পাৰিব নে নোৱাৰে, সেই সেম্পৰ্কে জন সাধাৰণে কি ভাবে।

ৰাজ্য পালৰ ভাষণত পাকিস্থান আৰু ভাৰতৰ মাজত হোৱা সীমান্ত বিবাদৰ অৱসান হোৱাত সন্তুষ্টি প্ৰকাশ কৰাটো সঁচাকৈ আনন্দৰ বিষয়। ভাৰতৰ দুয়োমূৰে সীমান্ত বিবাদৰ যুদ্ধৰ আবহাওৱা চলি থাকিলে ভাৰতৰ উন্নয়নৰ (development) পথত বাধাৰ সৃষ্টি হব আৰু আজি ইয়াৰ অবসান ঘটিলে সঁচাকৈয়ে সকলোৱেই আনন্দিত হোৱা উচিত। যোৱা কিছু দিন ধৰি ভাৰত আৰু চীন সীমান্ত লৈ যি ঘটনাৱলীৰ সৃষ্টি হৈছে—তাৰ বাবে আমি দুঃখিত। এই ক্ষেত্ৰতো, আনন্দৰ কথা যে ভাৰতৰ প্ৰধান মন্ত্ৰী জহৰলাল নেহৰুৱে এই সীমান্ত বিবাদৰ আলোচনাৰ কাৰণে চীনৰ প্ৰধান মন্ত্ৰী চৌৱেন লাইক ভাৰতলৈ আমন্ত্ৰণ কৰিছে আৰু চীনৰ প্ৰধান মন্ত্ৰীয়েও সেই আমন্ত্ৰণ গ্ৰহণ কৰিছে। এই মাত্ৰ কংগ্ৰেচ সদস্য এজনে এই বিষয়ে কৈ গল যে ভাৰত আৰু চীনৰ মাজত যাতে বিনা সৰ্ত্তে সীমান্ত বিবাদৰ সমাধান হয় তাৰেই প্ৰচেষ্টা যেন ভাৰতৰ প্ৰধান মন্ত্ৰী আৰু চীনৰ প্ৰধান মন্ত্ৰীৰ মাজত চলে। এই বিষয়ত দুয়ো একেমত আৰু ইয়াত আনন্দ প্ৰকাশ কৰো যেন আলোচনা সাফল্য মণ্ডিত হয় আৰু হাজাৰ হাজাৰ বছৰ ধৰি ভাৰত আৰু চীনৰ মাজত চলি থকা মৈত্ৰী বন্ধন দৃঢ়হৈ যুদ্ধ বিভীষিকা দূৰ হয় আৰু এই মৰ্ম্মে যেন আমাৰ দেশৰ ধন ব্যয় নহয় আৰু সেই টকা যেন আমাৰ দেশৰ শিক্ষা, খাদ্য সমস্যা সমাধান পুনৰ্ব গঠনৰ কামত খৰছ কৰিব পৰা হয়, শান্তি বিৰাজ কৰে, দেশৰ অশান্তি দূৰ হয়। কিন্তু মই দুঃখিত যে ৰাজ্যপালৰ ভাষণত ভাৰত-চীনৰ প্ৰধান মন্ত্ৰীদ্বয় আলোচনাক অভিনন্দন জনাই একেবাৰ কথাও উল্লেখ কৰা নহল। প্ৰধান মন্ত্ৰী নেহৰুৰ এই আহবানক জোৰেৰে অভিনন্দন জনোৱাৰ এই সময়ত প্ৰয়োজন হৈছে,

এই কাৰনেই যে পি, এচ, পি, আৰু স্বতন্ত্ৰ পাৰ্টিৰ কৃপালনী, অশোক মেহটা মাছানী আদি কিছুমানে নেহৰুৰ নীতিৰ তীব্ৰ বিৰোধীতা কৰিছে। পি, এচ, পি য়ে এই দুই প্ৰধান মন্ত্ৰীৰ সম্মিলনক বয়কোট কৰাৰ আহবান জনাইছে আৰু কৃপালনীয়ে নেহেৰুক বিশ্বাস ঘাতকতা বুলি কলিকতাৰ এখন সভাত অভিযোগ আনিছে। প্ৰধান মন্ত্ৰী নেহৰুৱে এই বিলাক লক্ষ্য কৰি পালিয়ামেন্টত চীন-ভাৰত বিৰোধ জীয়াই ৰখাৰ কাৰণে কিছমানৰ vested interest আছে বুলি কৈছে। মই নাজানো আমাৰ এই সদনটো তেনে vested interest আছে নে নাই।

কৃপালনীয়ে নেহৰুজীক বিশ্বাস ঘাটক বুলি কোৱাত মই আচৰিত হৈছো যে যি সময়ত কৰবৈলৈ পিচ হোহকা নাই সেই সময়ত যিদিনা নগাঁৱত চীনবিৰোধী এখন মিটিংত কৃপালনীৰ দলৰ লোক শ্ৰীহলধৰ ভূঞাৰ দলৰ মানুহৰ লগত লগ লাগি নগাওঁ কংগ্ৰেছৰ সভাপতি আৰু এই সদনৰ দুজন মান কংগ্ৰেছ সদস্যই চীন বিৰোধী কনভেনচন পাতিবলৈ যত্ন কৰিছে। এনে অৱস্থাত এই সদনত কংগ্ৰেছী শাসক সকল কৃপালনী-মাছানীৰ পক্ষে নে প্ৰধানমন্ত্ৰী নেহৰুৰ পক্ষে সেইটো পৰিস্কাৰ কৰি বুজিবলৈ হলে প্ৰধানমন্ত্ৰীৰ আলাপ আলোচনা মাধ্যমত চীন-ভাৰত সীমান্তৰ সমাধানৰ কৰাৰ প্ৰচেষ্টাক সৰ্বতোভাবে সমৰ্থন জনাব লাগে।

এটা কথা ৰাজ্যপালৰ ভাষণত মই দেখিবলৈ নাপাই আচৰিত হৈছে। সেইটো হৈছে আজি গোটেই অসমত অসমীয়া ৰাজ্যিক ভাষা হবৰ বাবে আন্দোলন চলিছে অথচ ৰাজ্যপালৰ ভাষণত তাৰ কোনো উল্লেখ নাই। এই বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ থাকিব বুলি আশা কৰিছিলো। আজি যোৱা ১০ বছৰৰ পৰা ইয়াৰ একো এটা ব্যৱস্থা আজিলৈকে নহল। মই দাবী কৰো যে চৰকাৰে সদনৰ এই অধিবেশনতেই ৰাজ্যভাষা সম্পৰ্কে চৰকাৰৰ মন্তব্য ঘোষণা কৰিব লাগে।

তাৰ পাচত আজি ২য় পাচ বছৰীয়া পৰিকল্পনাৰ ৪ৰ্থ বছৰ শেষ হৈ গল কিন্তু আজিলৈকে গৰীব আৰু ধনীৰ মাজৰ বিভেদটো দূৰ নহল গৈ। অথচ ক্ৰমে ক্ৰমে বেকাৰ সমস্যা বাঢ়িছে আহিছে। আজি আমি কি দেখিছো? ধনী ধনী হৈ গৈছে আৰু গৰীব গৰীব হৈ গৈছে।

শিল্পৰ ফালৰ পৰা মাত্ৰ তেল শোধনাগাৰৰ কথা কব পাৰি। তাৰ বাহিৰে একো নাই। তাকো এই শোধনাগাৰ ইয়াত দিয়াৰ কথা নাছিল; অসমৰ ৰাইজে যুঁজ কৰি আনি লৈছে।

কৃষিৰ ফালৰ পৰা যদি চোৱা যায় তেন্তে যোৱা বছৰ বাজেট চেচনত চৰকাৰে ঘোষণা কৰিছিল যে পতিত মাটিবিলাক ১৯৫৯ চনৰ ভিতৰতে মাটিহীন মানুহক দিয়া হব; কিন্তু আজি এবছৰ পাৰ হৈ গল সেই বিষয়ে চৰকাৰ নিমাত কাৰণ একো কাজেই হোৱা নাই।

তাৰপাচত শস্য উৎপাদন বৃদ্ধি হৈছে বুলি গৱৰ্ণৰৰ ভাষণত কোৱা হৈছে। অৱশ্যে এই টো ঠিক যে আগৰ বাৰতকৈ এই বাৰ শস্য উৎপাদন ভাল হৈছে কিন্তু ইৰিগেচন ইত্যাদিৰ কি ব্যবস্থা হব তাৰ কোনো উল্লেখ নাই। এই শস্য উৎপাদন টো Stable হব বুলি চৰকাৰে guarantee দিব পাৰিবনে? এতিয়াও বৰষুণ হোৱা নাই গতিকে অহাবাৰ খেতিৰ কি অবস্থা হব কব নোৱাৰি। আজি যোৱা ১২ বছৰৰ ভিতৰত Flood Control আৰু irrigation ত বহু টকা খৰচ হোৱা দেখুউৱা হৈছে কিন্তু তাৰ ফলত উৎপাদনৰ স্থায়ীতাৰ কোনো guarantee চৰকাৰে দিব পৰা নাই। এতিয়াও আমি বৰষুণ হোৱা নোহোৱাৰ ওপৰত নিভৰশীল হৈ আকাশলৈ চাই থাকিব লাগে।

অধ্যক্ষ মহোদয়, পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছে যে "Eviction is a crime." যদি সেয়ে হয় তেনেহলে মই অসম চৰকাৰৰ কাৰ্য্যক Criminal বুলি নিন্দা কৰো। (Voice—কত পালে ? where have you got this ?) আজি হাজাৰ হাজাৰ, লাখ লাখ খেতিয়কক উচ্ছেদ কৰিছে। সেই দুখীয়া খেতিয়ক সকলে হাজাৰ হাজাৰ টকা খৰচ কৰি ঘৰ দুৱাৰ সাজিছে অথচ চৰকাৰে হাতী লগাই সেই ঘৰ দুৱাৰ বোৰ নষ্ট কৰি পেলাইছে। এই মানুহবোৰক পুনৰ বসতিৰ দায়িত্ব চৰকাৰৰেই। এইবোৰ কথা ৰাজ্যপালৰ ভাষণত স্বীকাৰ কৰা উচিত আছিল।

আজি ১২ বছৰ হল এই চৰকাৰে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰিব পৰা নাই। মানুহে নিজৰ গাঁঠিৰ ধন ভাঙি ঘৰ-দুৱাৰ সাজি স্কুল চলাই আছে। অথচ চৰকাৰে সেই প্ৰাথমিক স্কুল বোৰক গ্ৰান্টৰ টকা কেইটা দিব পৰা নাই। এনেস্থলত কিমান দিনৰ মূৰত যে প্ৰাথমিক শিক্ষা বাধ্যতামূলক হব কোৱা টান। এই ছিলং নগৰতে লাইনোখৰা অঞ্চলত লৰা ছোৱালীক শিক্ষা দিয়া কিমান অসুবিধা ভুক্তভোগীয়েহে জানে।

চেইন্ট এড্‌মণ্ডচ্‌ স্কুলত সকলো লৰাই চিট নেপায় মাত্ৰ ডাঙৰ ডাঙৰ অফিচাৰ বা ডাঙৰ লোকৰ লৰাইহে চিট পায়। এই ৰাজধানীতেই চৰকাৰে শিক্ষাৰ সুব্যৱস্থা কৰিব পৰা নাই। কি দেৱলীয়া অৱস্থা চৰকাৰৰ।

পুলিচৰ কাৰ্য-কলাপত যথেষ্টসন্তুষ্টি প্ৰকাশ কৰা দেখা গৈছে। যদি পুঙ্খানুপুঙ্খ-ৰূপে বিচাৰ কৰি চায় তেন্তে দেখিব যে আজিও পুলিচে ইংৰাজ আমোলৰ মেজাজ লৈয়ে আছে আৰু সেইদৰেই কামো কৰিছে। অলপতে লিডুৰ কলিয়ৰীত ধৰ্মঘট হৈছিল। তাত যিটো আটাইতকৈ শক্তিশালী ইউনিয়ন তাক মালিকে মানি লোৱা নাই আৰু সেই সম্পৰ্কে চৰকাৰ অসহায় আৰু পুলিচ নিচাক্তিয় কিন্তু যেতিয়া মজদুৰ সকলে ধৰ্ম্মঘট কৰি সভা পাতিলে তাত লাঠি চলালে, ১৪৪ ধাৰা জাৰি কৰি কন্দুৱা গেচ্‌ ব্যৱহাৰ কৰি অত্যাচাৰ আৰম্ভ কৰিলে আৰু বহুতকেই গ্ৰেপ্তাৰ কৰিলে।

**Shri BIMABLA PRASAD CHALIHA (Chief Minister) :** এই সম্পৰ্কে মই কব খোজো যে মাননীয় সদস্যই যিটো কথা কৈছে সেইটো সত্য নহয়। ধৰ্মঘটকাৰী সকলৰ মাজত যেতিয়া উত্তেজনাৰ (Tension) সৃষ্টি হয়, তেতিয়া ১৪৪ ধাৰা জাৰি কৰি তেওঁলোকক আঁতৰাই দিয়া হয়। ইয়াত পুলিচে কোনো ৰকম হস্তক্ষেপ কৰা নাই।

**Shri PHANI BORA (Nowgong) :** আকৌ তিনিচুকীয়াৰ প্লাইউদ ফেক্টৰীত যেতিয়া বনুৱাই ধৰ্মঘট কৰাৰ কথা হয়, তেতিয়াও পুলিচে। মালিকৰ পক্ষ লৈ শ্ৰমিকৰ ইউনিয়ন ভঙাত সহায় কৰিছে। মিকিৰ পাহৰ জিলাৰ হাওবাঘাটত উচেছদ (Eviction) কৰোতে পুলিচে বন্দুকেৰে খুন্দিয়াই মানুহৰ চুকুৰ হাৰ ভাঙিছে। আনকি তিৰোতা মানুহকো চৰিয়াই গাল উখহাই দিছে। চাৰ, হাওবাঘাট পুলিচ থানাৰ O. C. ডি, এন তালুকদাৰ নামৰ অফিচাৰজনে মোক এই কথা কবলৈকো সাহস কৰিলে যে তেওঁনেকি বৃটিচৰ দিনত কংগ্ৰেছক ঠাণ্ডা কৰি আহিছে, এতিয়াও জনতাক ঠাণ্ডা কৰাৰ কাম তেওঁ পালন কৰিব জানে। এয়ে হল Welfare Stateৰ পুলিচ অফিচাৰৰ মেজাজ। I. G. P. এ প্ৰথমতে দুৰ্নীতি (Corruption) বন্ধ কৰিবলৈ আয়ুব খাৰ নিচিনা আৱাজ দিলে। কিন্তু এতিয়া তেওঁ ৰাজনীতিত নামিছে। তেওঁ কৰিমগঞ্জৰ এখন কংগ্ৰেছ কৰ্মীৰ সভাত নগাঁৰৰ উপনিৰ্বাচনৰ পৰ্য্যালোচনা কৰিছিল আৰু এই সদনৰ এজন সদস্যক চীনৰ পুতলা বুলি অভিহিত কৰিবলৈ সাহস কৰিছিল। এজন উচচ পদস্থ চৰকাৰী কৰ্মচাৰীয়ে এইদৰে ৰাজনীতিত প্ৰত্যক্ষ ভাবে ভাগ লব পাৰে জানো ? Crime প্ৰদেশত কমা বুলি আত্মস্তৰি প্ৰকাশ কৰা হৈছে। যোৱা বছৰ

চুৰি, জুৱা চুৰি সংখ্যা প্ৰায় ৪,০০০, I. P. C. Offence ১৯৫৭ চনত ৫৯১২ আৰু ১৯৫৯ চনত ৭,৬০৯, হত্যাকাণ্ড হৈছিল ৩৩৯ টা। এনে অৱস্থাতো যদি পুলিচ বিভাগৰ কাম প্ৰশংসনীয় হোৱা বুলি আনন্দ প্ৰকাশ কৰা হয় তেন্তে মোৰ বিশেষ কবলৈ একো নাই।

অধ্যক্ষ মহোদয়, নগা পাহাৰত যি সমস্যাই দেখা দিছিল তাৰ সমাধান হল বলি ধাৰণা হৈছিল। কিন্তু এতিয়া দেখিছো নগাৰ সমস্যাৰ বিশেষ একো সমাধান নহল। Eastern India Tribal Union ৰ সমস্যাও সমাধান হোৱা নাই। এতিয়া এফালে ষষ্ঠ অনুসূচীকে সংশোধন কৰিবলৈ বিচাৰিছে আৰু আনফালে তেওঁলোকে স্বকীয় ৰাজ্য দাবীও ত্যাগ কৰা নাই। মই ৬ষ্ঠ অনুসূচী সংশোধন কৰি পাহাৰীয়া ভাই সকলক অধিক ক্ষমতা দিয়াৰ পক্ষে; কিন্তু মই ভাবিছিলো তেওঁলোকে স্বকীয়া ৰাজ্যৰ দাবী ত্যাগ কৰিছে কংগ্ৰেছৰ লগত যোগ দিছে এতিয়া দেখিছো সেইটো নহয়। তেন্তে চলিহা মন্ত্ৰী সভাই ট্ৰাইবেল ইউনিয়নৰ লগত সুবিধাবাদী মিত্ৰতাহে স্থাপন কৰিছে। চৰকাৰে পঞ্চায়ত ৰাজ কৰিবলৈ চেষ্টা কৰিছে তাত আমি সমথন জনাইছো। কিন্তু ইয়াত এড্ হক্ কমিটিৰ সভ্য মনোনয়ন কৰাত দলীয় মনোভাৱ দেখুৱা হৈছে। এই দলীয় মনোভাব কেৱল যে বিৰোধী দলৰ ক্ষেত্ৰতে দেখুৱাইছে এনে নহয়। সেই দলীয় মনোভাব কংগ্ৰেছৰ ভিতৰতো দেখুৱা হৈছে। মন কৰিলে দেখিবলৈ পাব যে শিৱসাগৰৰ আমগুৰি পঞ্চায়তৰ কাৰণে প্ৰথমতে ঠানু গগৈক পঞ্চায়ত সভাপতি নিৰ্ব্বাচন কৰি পিচত আকৌ তেওঁৰ নামটো গেজেটত চিয়াহিৰে কাটি দি কমলা বৰুৱাক পাতিলে, কাৰণ ঠানু গগৈ হেনো মন্ত্ৰী সভাৰ বিৰোধী কংগ্ৰেছ দলৰ লোক।

গোলাম জিলানী নামে গাওঁ পঞ্চায়তৰ সভাপতি এজনে নিজৰ পুখুৰীটোকে খনাই পঞ্চায়তৰ নামত ৩,৭০০৲ টকা আত্মসাৎ কৰাৰ অভিযোগত অভিযুক্ত আৰু তেওঁকেই সোনাই আঞ্চলিক পঞ্চায়তৰ সভাপতি পতা হৈছে। সমাজ সেৱকক লোৱাৰ নামত আচলতে কংগ্ৰেছৰ ভলন্টিয়াৰ বোৰক এই এড্ হক্ কমিটিবোৰত ভুক্ত কৰা হৈছে।

সমবায় সমিতি কৰাটোও বৰ ভাল কথা আৰু ঠিকমতে কৰিব পাৰিলে দেশৰ বহুত উন্নতি হব। কিন্তু তাতো বেমেজালি আৰু দুৰ্নীতিয়ে দেখা দিয়াত কংগ্ৰেছী সকলেই নিজে সমালোচনা কৰিবলৈ বাধ্য হৈছে। এই সমবায়ৰ জৰিয়তে ধান সংগ্ৰহৰ যি ব্যৱস্থা কৰিছে সিও আসোঁৱাহযুক্ত।

অধ্যক্ষ মহোদয়, ধানৰ ক্ৰয় মূল্য নিৰ্দ্ধাৰণ কৰাত কৃষকৰ স্বাৰ্থ ৰক্ষা কৰা হোৱা নাই। যি সময়ত এখন চৰকাৰী কৃষি ফাৰ্মৰ এমোণ ধানৰ খৰচ ১০৲ টকা বুলি কোৱা হয় তেনেস্থলত খেতিয়ক সকলৰ ধানৰ দাম ৮৲।৯৲ টকাকৈ বান্ধি দিয়া যুক্তি সঙ্গত কেনেকৈ হয় কব নোৱাৰো।

এই চৰকাৰে বিভিন্ন কাৰ্য্যকলাপৰ মাজেদি সাম্প্ৰদায়ীকতা আৰু জাতিভেদক জগাই তুলিছে আৰু তাৰ ফলত দেশৰ ভিতৰত বিশৃঙ্খলতাৰ সৃষ্টি কৰা হৈছে।

শেহত মই আজি এই সদনত কেইটামান পৰামৰ্শ আগবঢ়াই মোৰ বক্তৃতাৰ সামৰণি মাৰিম।

১। অসমীয়া ভাষা অসমৰ ৰাজ্যিক ভাষা হিচাবে ঘোষণা কৰা উচিত।

কাৰণ আমাৰ সৰ্ব্বসাধাৰণ গাৱঁলীয়া বাইজে ইয়াত যিবিলাক আইন প্ৰণয়ন কৰা হয় হাইকোৰ্ট আদিৰ ৰায় আদি যি বিলাক ইংৰাজী ভাষাত প্ৰকাশ কৰা হয় মাত্ৰ আৰু কাগজে পত্ৰয়ো সেইবোৰ ইংৰাজী ভাষাত প্ৰচাৰ কৰাৰ কাৰণে আমাৰ মানুহে পঢ়ি তাৰ জ্ঞান আহৰণ কৰা অসম্ভৱ, কিয়নো সৰ্ব্বসাধাৰণে নাজানে। গণতন্ত্ৰ আৰু সাংস্কৃতিক জীৱনৰ উন্নতি এটা বিদেশী ভাষাৰ যোগেদি কেতিয়াও সম্ভৱ নহয়। সকলো ভাষাত যদি এতিয়াই তৰ্জ্জমা সম্ভৱ নহয় অন্ততঃ সেইবুলি ইংৰাজীকেই ৰখাৰ কোনো যুক্তি নাই। ইংৰাজীৰ বাহিৰেও অন্ততঃ অসমীয়াত চৰকাৰী আইন কানুন হাইকোৰ্টৰ প্ৰচিডিংচ তৰ্জ্জমা কৰিব লাগে। পাৰিলে অন্যান্য বঙালী, খাচী আদি ভাষাটো হব লাগে। অসমীয়া ভাষা ৰাজ্যভাষা কৰিও কাছাৰ জিলা, খাচী, গাৰো, মিজো জিলাত নিজ নিজ ভাষাৰ পূৰ্ণ অধিকাৰ স্বীকাৰ কৰিব পাৰি। সেই সেই জিলাত আৰু আন আন ঠাইৰ সংখ্যা লঘুৰ শিক্ষা, পৰীক্ষা, এপিল আদি মাতৃভাষাৰ যোগেদি হোৱা উচিত।

২। আমাৰ অসমৰ ৰাজধানী ছিলঙৰ পৰা ক্ৰমে ভৈয়ামলৈ নিয়াৰ লক্ষ্য মনত ৰাখি এতিয়াৰে পৰা কিছুমান চৰকাৰী বিভাগ সোনকালে ভৈয়ামলৈ নিয়াৰ ব্যৱস্থা হাতত লব লাগে।

৩। চাকৰীৰে এই কথা কৈছে যে আমাৰ পুঁজিপতি বিলাকৰ যিবিলাক অনুষ্ঠান আছে, তাত যাতে অসমৰ লৰা-ছোৱালীক চাকৰী দিয়া হয় তাৰ কাৰণে অনুৰোধ কৰা হৈছে। এইটো বৰ পৰিতাপৰ কথা যে পুঁজিপতি সকল অসমতে থাকি অসমৰ লৰা-ছোৱালীক বঞ্চিত কৰি বাহিৰৰ পৰা চাকৰীয়াল আনি নিয়োগ কৰে। চৰকাৰে অসমৰ মানুহক চাকৰী দিবলৈ তেওঁলোকক বাধ্য কৰিব লাগে।

৪। এবছৰৰ ভিতৰতে মাটিহীন খেতিয়কক মাটি দিবলৈ ব্যৱস্থা কৰিব লাগে আৰু পৰিকল্পনা কৰি মাটি বিলোৱাৰ আগতে মাটিৰ পৰা খেতিয়ক উচ্ছেদ বে-আইনী কৰি এখন অৰ্ডিনেন্স জাৰি কৰিব লাগে।

**Shri HARINARAYAN BARUAH (Teok):** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যপাল মহোদয়ৰ ভাষণৰ লাগনী শজনাই মাননীয়া শ্ৰীমতী জোৎস্না চন্দই যিটো সলাগনী প্ৰস্তাৱ দাঙি ধৰিছে তাক সমৰ্থন কৰিছো আৰু বিৰোধীদলৰ ফালৰ পৰা দিয়া সংশোধনী প্ৰস্তাৱৰ বিৰোধীতা কৰিছো।

মহোদয়, আমাৰ গাৱঁত এটা কথা আছে—কণাত কয় দেখ বলিলে নেদেখে কণা বুলিলেও জগৰ। অৰ্থাৎ মানুহে যদি চাবলৈ ইচ্ছা নকৰে সি চকুমেলি থাকিলেও নেদেখে।

১৯৪৭ চনৰ পিচত ভাৰতে স্বাধীনতা লাভ কৰাৰ পৰা ভাৰতবাসীয়ে যেনেকৈ বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি গৈছে তাৰো দেশৰ লোকেই নহয়, পৃথিবীৰ বিভিন্ন ৰাজ্যৰ নেতা বিলাক আহিও ভাৰত ভ্ৰমণ কৰি এই কথা নেদেখা নহয়। প্ৰত্যেকজনে কৈ গৈছে যে ভাৰতে ইমান সোনকালে উন্নতিৰ পথত আগবাঢ়িছে যে সঁচাকৈ ভাৰতে অচিৰে এটা শক্তিশালী জাতিত পৰিণত হব। কিন্তু আমাৰ বিৰোধীদলৰ সদস্য সকলে এই কথাৰ সত্যতা স্বীকাৰ নকৰে, ইয়াৰ কাৰণ কি? দেখা যায় আমাৰ বিৰোধী দলৰ নেতা সকল এতিয়াও ১৯৪৭ চনৰ সেই একে উক্তি কৰিয়েই আছে। তেখেত সকলে ১৯৪৭ চনৰ আৰু ১৯৬০ চনৰ ভাৰতৰ অবস্থাৰ ব্যৱধান বা পাৰ্থক্য দেখিও নেদেখে বুলি কৈছে। এতিয়াও তেখেত সকলে কব খোজে যে ভাৰতে স্বাধীনতা পোৱাৰ পিচত উন্নতি পথত আগবাঢ়িব পৰা নাই; কংগ্ৰেছে শাসনভাৰ লোৱাৰ পিচত কোনো পৰিৱৰ্ত্তন ঘটাব পৰা নাই; সেই কাৰণেই কৈছো দেখিও নেদেখে।

১৯৪৭ চনত অসমত মেডিকেল কলেজ নাছিল, ৰাস্তাঘাটৰ অবস্থাও শোচনীয় আছিল। এতিয়া তালৈ চাওক। কিমান শিক্ষানুষ্ঠান হৈছে। (*Voice* কিমান নিবনুৱা হৈছে--- কিমান কৰ বাঢ়িছে নকয় কিয় ?)

কৰ নাবাঢ়িলে উন্নয়নৰ কাম হব কেনেকৈ ? কথাত কয় নজনা মানুহক বুজাবলৈ ভাল কিন্তু জনা সকলে যদি নাজানো বুলি কয় তেন্তে বৰ টাণ কথা।

মহোদয়, কোৱা হৈছে যে কংগ্ৰেছে শাসনভাৰ লৈ জনসাধাৰণৰ মনত এটা উৎসাহ উদ্দিপনা যোগাব পৰা নাই; জনসাধাৰণক সহানুভূতি কৰা নাই, দেশৰ মঙ্গল কৰিব পৰা নাই বুলি এই সদনত সমালোচনা কৰিছে। আমাৰ বন্ধুৰ ভিতৰৰে এজনে কৈছে যে কংগ্ৰেছ চৰকাৰে সমগ্ৰ ভাৰতৰ জনসাধাৰণৰ কাৰণে যি কাম কৰিছে সেইকাম জনসাধাৰণৰ অপকাৰৰ কাৰণেহে কৰিছে। যদি সেই কথাটোৰ সত্যতা থাকিল হেতেন, আৰু কংগ্ৰেছ চৰকাৰে ভাৰতৰ জনসাধাৰণৰ কাৰণে একো নকৰিলেহেতেন তেন্তে, এই বিশাল ভাৰতৰ জনগণে কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে ভাৰতত ৰাষ্ট্ৰবিদ্ৰোহ নহলহেতেন নে ? দেশৰ শাসন নীতি সম্পৰ্কত দেশবাসীৰ উপকাৰ নাই হোৱা বুলি বা আজি লৈকে দেশত কোনো উন্নয়ন মূলক কাম হোৱা নাই বুলি যিবিলাক বিৰোধী দলৰ পৰা এই সদনত সমালোচনা হৈছে সেইটো আজি এই সদনত বৰ পৰিতাপৰ কথা হৈছে বুলি ভাবো। কাৰণ, আমি জনাত কংগ্ৰেছ চৰকাৰে সমগ্ৰভাৰতত বহুত উন্নয়ন মূলক কাম কৰিছে, সেই বিলাকৰ পৰা যদি দেশবাসীৰ কিবা উপকাৰ নহলহেতেন তেন্তে বিশাল এই ভাৰতবৰ্ষৰ অঞ্চলত নিশ্চয় ৰাষ্ট্ৰ বিদ্ৰোহ হলহেতেন। তাৰোপৰি তেওঁলোকে কৈছেযে আজি ভাৰতৰ জনসাধাৰণৰ মাজত নানান প্ৰকাৰ আগৰ অভিযোগ আছে আৰু তাৰ কাৰণে তেওঁলোক অতিষ্ঠ হৈ উঠিছে আৰু ইয়াৰ দূৰীকৰণৰ কোনো ব্যৱস্থা হোৱা নাই। যদি সেয়ে সত্য হয়, তেন্তে কেৰেলাত কমিউনিষ্ট শাসনৰ সময়ত ৰাইজৰ মাজত যি বিপ্লৱৰ স্থষ্টি হৈছিল হাজাৰ হাজাৰ বিদ্ৰোহী প্ৰজা জেললৈ গৈছিল। আজি তেনেকৈ এই ৰাজ্যতো চৰকাৰৰ শাসনৰ বিৰুদ্ধে গণ বিপ্লৱ আৰম্ভ হল হেতেন। যদি তেনে হোৱা নাই তেন্তে তাৰপৰা বুজিব লাগীব যে চৰকাৰে ৰাইজৰ অসুবিধা বিলাক সম্পূৰ্ণ দূৰ কৰিব নোৱাৰিলেও ৰাইজ অতিষ্ঠ হৈ কেৰেলাৰ নিচিনা অৱস্থাৰ স্থষ্টি কৰা নাই। কাজেই মোৰ অভিমত এই যে চৰকাৰে দেশৰ আৰু দেশবাসীৰ মঙ্গলৰ হকেই কাম কৰি আহিছে আৰু দেশৰ মঙ্গলেই কংগ্ৰেছ চৰকাৰৰ প্ৰকৃত লক্ষ্য। দেশ আজি কিছু দূৰ আগ বাঢ়িছে আৰু আগ বাঢ়ি যাব লাগিব। ইয়াত দুটি মত থাকিব নোৱাৰে।

তাৰ পিচত ভূমিহীন লোক সকলৰ ভূমি সংস্থানত চৰকাৰৰ কাৰ্য্য ব্যৰ্থ হৈছে বুলি যি আলোচনা কৰিছে তাৰ ওপৰত, মই কওঁ যে যি সকলে টাউনে টাউনে চহৰে চহৰে, ৰেলেৰে মটৰেৰে ভ্ৰমণ কৰি ভিতৰুৱা এলেকা বিলাকলৈ যাব পৰা নাই, ভ্ৰমণ কালত যি দুই চাৰিটা 'কেচ' মাত্ৰ দেখিছে তেওঁলোকেই চৰকাৰে কাম কৰিব পৰা নাই বা কাৰ্য্যত সফল হোৱা নাই বুলি অত্যুক্তি কৰিছে। আজি চৰকাৰে ভূমিহীন লোক সকলক ভূমি বিতৰণ কৰাৰ কাৰ্য্যত চাহ বাগিচাৰ গ্ৰান্ট ভাঙ্গি দিব লগা হৈছে; জংঘলৰ বিৰাট অংশ ভাঙ্গি দিব লগা হৈছে। ইয়াৰ উপৰিও চৰকাৰে বহুতো ক্ষেত্ৰত ভূমি সংস্কাৰ কৰি খেতিৰ উপযোগী কৰি ভূমিহীন খেতিয়ক সকলক বিতৰণ কৰিছে। এনে অৱস্থাতো চৰকাৰৰ কাৰ্য্য কলাপ নিন্দা কৰি বিৰোধী দলৰ সদস্য সকলে বিৰোধীতা কৰাটো ঠিক হোৱা নাই। ইয়াৰ দ্বাৰাই তেখেত সকলৰ উদ্দেশ্য কি নিশ্চয় সদনৰ সদস্য সকলে বুজি পাইছে। আজি চৰকাৰৰ এই প্ৰচেষ্টাত যদি দেশবাসী ৰাইজ আৰু বিভিন্ন ৰাজনৈতিক দলৰ নেতা সকলে সহযোগীতা নকৰে তেন্তে এই সমস্যা সমাধান কৰা টাণ হব যিহেতু দিনক দিনে অসমত নিৰ্দ্দিষ্ট পৰিমাণৰ প্ৰাকৃতিক মাটি বিতৰণৰ

ফলত কমি আহিছে আৰু এতিয়া যি পৰিমাণৰ মাটি চৰকাৰৰ হাতত আছে তাকো যদি বিতৰণ কৰিবলৈ জোৰ কৰা হয় তেন্তে এটা সময় আহিব সেই সময়ত দেশৰ আৰু দেশবাসীৰ অৱস্থা কি হব আজি কোৱা টান। গতিকে এই ক্ষেত্ৰত আমাৰ খিলজিয়া মাটিহীন মানুহ বিলাকে যাতে উপকৃত হয় তাৰ কাৰণে চিন্তা কৰি চৰকাৰে অসমৰ বাহিৰৰ মানুহ যাতে ইয়ালৈ মাটিৰ আশা কৰি আহিব নোৱাৰে তাৰ ব্যৱস্থা শীঘ্ৰে লোৱা উচিত। অসমত যে আৰু ৰাহি মাটি নাই সেই কথাও ঘোষণা কৰা উচিত। যি অলপ আছে তাক এই দেশৰ খিলঞ্জীয়া মানুহৰ কাৰণে ৰখা উচিত। আশা কৰো গৱৰ্ণমেণ্টে এই কথা বিবেচনা কৰিব। মই জনাও এই দেশত আৰু অধিক মাটি নাই।

ইয়াৰ পাচত আৰু এটা কথা তেখেত সকলে কৈছে যে আজি চৰকাৰে যিবিলাক আইন ৰচনা কৰিছে সেই বিলাক মোটেই কাৰ্য্যকৰী কৰিব পৰা নাই। এইটো এটা নতুন কথা যেন লাগিল। কাৰণ প্ৰতিজন সদস্যই প্ৰায় এক লাখ ৰাইজৰ প্ৰতিনিধি; তেওঁলোকে যদি এই সদনত নিজেই আইন তৈয়াৰ কৰি জনসাধাৰণৰ মাজত ইয়াৰ প্ৰচাৰ নকৰে তেন্তে আমাৰ জনসাধাৰণৰ কেনেকৈ উপকাৰ হব? নিজে আইন পাচ কৰি নিজেই যদি ইয়াৰ প্ৰচাৰৰ কাৰণে যত্ন নকৰে তেন্তে আইন বিলাক কেনেকৈ কাৰ্য্যকৰী হয়? এইটো এটা গভীৰ চিন্তাৰ বিষয়। চৰকাৰেতো ঘৰে ঘৰে গৈ আইন বিলাক প্ৰচাৰ কৰিব নোৱাৰে। প্ৰচাৰৰ দায়িত্বৰ কিছু অংশ সদনৰ সদস্য সকলেই লব লাগিব। আইন কাৰ্য্য কৰী হোৱা নাই বুলি সদনত ঠিয় হৈ কলে নচলিব। এই প্ৰসঙ্গতে শ্ৰীযুত ভট্টাচাৰ্য্য ডাঙৰীয়াই কৈছে যে কমিউনিষ্ট পাৰ্টি তৰফৰ পৰা চৰকাৰৰ ব্যৱস্থা বিলাক সহযোগীতা কৰিবলৈ ৰাজি আছে আকৌ শ্ৰীযুত বৰাই কৈছে যে তেনে অসহ-যোগীতাৰ কোনো বীজানু কমিউনিষ্ট পাৰ্টিৰ গাত নাই। দুয়োজন মাননীয় বন্ধুয়েই সহজ আৰু সৰল ভাষাত বৰ ধুনীয়া কথা কৈছে। অথচ কাৰ্য্যতঃ তেখেত সকলৰ পাৰ্টিৰ তৰফৰ পৰাই অৰ্থাৎ তেখেতৰ পৰিষদ সকলে ইয়াৰ অসহযোগীতাৰ পৰিচয় দিছে। ৰঙা পাতৰ কিতাপ চপাই পঞ্চায়ত আইনৰ শৰাধ কৰিছে। ই কেনে কথা? মুখেৰে সহযোগ কৰা আৰু কাৰ্য্যতঃ আন্তৰিকতাৰে পৰিণত কৰা দুটা কথা। ই তেখেত সকলৰ মুখেদিয়েই প্ৰকাশ পাইছে। এনে অৱস্থাত আইনৰ কথা বিলাক সাফল্যমণ্ডিত কৰাটো কিমান কঠিন সকলোৱেই নিশ্চয় বুজি পাইছে।

তাৰ পিচত শ্ৰীযুত বৰবৰুৱা ডাঙৰীয়াই কৈছে যে তেখেত সকলে পঞ্চায়ত 'ৰিজিমত' সহযোগীতা কৰিব। বৰ মুখৰ কথা। কালি কোনো এজন বিৰোধী দলৰ মাননীয় সদস্যই পঞ্চায়তৰ বিৰুদ্ধে এখন পুস্তিকা প্ৰকাশ কৰাৰ কথা উল্লেখ কৰিছে। সেইটো কি? অসহযোগীতা নহয় নে? এফালে তেওঁলোকে মুখেৰে সহযোগ কৰিছে আৰু আনফালে তেখেত সকলৰ লগৰীয়া সকলে বেলেগ কথা কৈছে। ই জনসাধাৰণক প্ৰৱঞ্চনা কৰা ৰাজনীতি নহয় নে? এনে মনোভাব লৈয়েই জানো জনসাধাৰণৰ মঙ্গল সাধন কৰিব পাৰিব? মই ইয়াৰ বিচাৰৰ ভাৰ সদনৰ সদস্য সকলৰ ওপৰতে থলো।

(এই স্তৰত সদনত বহুতো কথোপকথন হয়।)

**Mr. SPEAKER**: আপুনি কৈ যাওঁক।

**Shri HARI NARAYAN BARUAH (Teok)**: অধ্যক্ষ মহোদয়, ইয়াৰ পিচত চীন আৰু ভাৰতৰ সীমান্ত বিবাদৰ সম্পৰ্কে কিছু উক্তি কৰিবৰ প্ৰয়োজন হৈছে যদিও এই বিষয়ে অনেকেই আগতে কৈ গৈছে।

চীন সম্পৰ্কে বৰা ডাঙৰীয়াই কৈছে আৰু সদনে নীৰবে শুনিছে চীনৰ প্ৰধান মন্ত্ৰীয়ে নিমন্ত্ৰণ গ্ৰহন কৰাত তেখেত সকল আনন্দিত হৈছে। আমি কিন্তু কথাবোৰ এনেকৈহে বুজিছো যে তেখেত সকলে কেতিয়া কোন সময়ত কি ভাবে কথা কয় ধৰা বৰ টান। বেচি ভাগেই সময় আৰু সুবিধা লৈহে কথা কোৱা হয়। এই সদনতে চীন সম্পৰ্কে সিদিনা প্ৰস্তাব আনোতে কমিউনিষ্ট পাৰ্টিৰ ফালৰ পৰা যি মনোভাব প্ৰকাশ কৰিছিল তাৰ লগত বৰা ডাঙৰীয়াৰ আজিৰ মনোভাবৰ কোনো মিল নাই। সিদিনা উত্তৰ-লক্ষীমপুৰৰ এখন ৰাজহুৱা সভাত এজন কমিউনিষ্ট বন্ধুয়ে কৈছিল যে মেকমোহন লাইনটো মানি লোৱা হৈছে কিন্তু যিহেতু এই লাইনটো হিমালয় পাহাৰৰ ওপৰেদি যোৱাৰ বাবে খলা বমা সেই কাৰণে চীনৰ পক্ষে সীমাটো ধৰা টান হৈছে, সেই কাৰণেই চীনে ভাৰতীয় চিপাহীক হেচা দিছে। এই ব্যাখ্যাৰ পৰা সন্দেহ হয় যে তেওঁলোকে চীনৰ কাৰ্য্যকলাপ সমৰ্থন কৰে। আজি আকৌ বৰা ডাঙৰীয়াৰ মনোভাব সম্পুৰ্ণ বিপৰীত। গতিকেই তেওঁবিলাকে কেতিয়া কি কৰে সেই কথাত সন্দেহ উপস্থিত হৈছে। আমি ভাবো আমাৰ প্ৰত্যেক ভাৰতীয়ই আমাৰ প্ৰধান মন্ত্ৰীৰ ওপৰত আস্থা স্থাপন কৰি তেখেতৰ নীতিত সহযোগীতা কৰিব লাগে। ইয়াত কোনো দলাদলিৰ মত পোষণ কৰা উচিত নহয়। ভাৰতৰ স্বাৰ্থই ভাৰতীয়ৰ স্বাৰ্থ।

তাৰ পাছত শাসন নীতিৰ সম্পৰ্কে নানা সমালোচনা হৈছে। দেশৰ শাসন নীতি ভাল হব লাগে বা তাৰ ব্যৱস্থা কৰিব লাগে এইটো ঠিক। আজি যি দলে দেশৰ শাসনৰ দায়িত্ব বহন কৰিছে সেই দলে দেশ শাসন কৰিবৰ উপযুক্ত ব্যৱস্থা নিশ্চয় কৰিব লাগিব। তাৰ বাবে বৰ্ত্তমান চৰকাৰে ব্যৱস্থা লৈছেই তাৰ বাবে বিভিন্ন ৰাজ নৈতিক দলক সুপৰামৰ্শ দিবৰ বাবে সাহবান জনাইছে। ভাল পৰামৰ্শ কংগ্ৰেছ দলে কেতিয়াও দলিয়াই নপেলায়। কিন্তু এনেকুৱা অনেক ক্ষেত্ৰত দেখা যায় যে যেতিয়াই চৰকাৰে এটা ভাল কাম হাতত লব তেতিয়া বিৰোধী দলীয় লোকে চাৰিফালৰ পৰা চৰকাৰক গৰিহনা দিবলৈ আৰম্ভ কৰে আৰু ডাঙৰ ডাঙৰ সভা পাতে। উদাহৰণ স্বৰূপে আমাৰ পুলিচ বাহিনীয়ে দেশৰ শান্তি আৰু শৃঙ্খলা ৰক্ষাৰ কাৰণে তেওঁলোকৰ কৰ্ত্তব্য কৰিছে। বিৰোধী দলীয় লোকে নানা ৰকমৰ প্ৰচাৰ কৰি জনসাধাৰণক বিপথে পৰিচালিত কৰিবলৈও চেষ্টা কৰিছে।

**Mr. SPEAKER :** আপুনি আৰু কিমান সময় লব ?

**Shri HARINARAYAN BARUAH (Teok) :** দহ মিনিট দিয়ক।

**Mr. SPEAKER :** আপোনাক দুই মিনিট দিয়া হল।

**Shri HARINARAYAN BARUAH :** পুলিচ বাহিনীক দেশৰ শান্তি শৃঙ্খলা ৰক্ষাৰ কাৰ্য্যত উপযুক্ত হবৰ কাৰণে দেৰগাৱঁত পুলিচ ট্ৰেইনিং কলেজ খোলা হৈছে। পুলিচ বাহিনীৰ I. G. P. নিজেই এই বাহিনীটো সুগঠিত কৰিবৰ কাৰণে লাগি পৰিছে। দুৰ্নীতি দূৰ কৰিবৰ কাৰণে চেষ্টা কৰিছে। সেই কাৰণে বহুতে অসমত আয়ুব খাঁৰ জন্ম হৈছে বুলি এই সদনতেই তেওঁক অভিহীত কৰিছে। (ভট্টাচাৰ্য্য ডাঙৰীয়া সম্ভৱ সদনত অনুপস্থিত) ভাল কাম কৰিলেও কেতিয়া তিক্ত সমালোচনাৰ ভাগী হব লাগে তেন্তে দেশত কোনে ভাল কাম কৰিব পাৰে ? এইটো স্বীকাৰ কৰিব লাগিব। দেশৰ উপকাৰাথে আমাক উপযুক্ত মানুহ লাগে।

বৰা ডাঙৰীয়া আমাৰ বন্ধু, ডেকা ডাঙৰীয়া, ভট্টাচাৰ্য্য ডাঙৰীয়া আমাৰ বন্ধু, ঠিক তেনেকৈয়েই পাটোৱাৰী ডাঙৰীয়াক আমাৰ বন্ধু মানুহ হিচাবেতো আমাৰ কোনো বিৰোধ নাই, তেওঁলোক সকলোৱে ভাল মানুহ। তেনেকৈয়ে তেওঁলোকৰ সমালোচনা বিলাকো ভাল হোৱা হলে কব লগায়া একো নাছিল। কথা বোৰত সদায় আইন লগোৱাৰ কাৰণে আমাৰ ফালৰ পৰা তেখেত সকলৰ বুজা কিছু কঠিন হৈছে।

আজি State Trading ৰ কথা কোৱা হৈছে। সিদিনা মই গোৱালপাৰাতৈ গৈ দেখিলো State Trading এ বহুত ধান মজুত কৰি ৰাখিছে আৰু জনসাধাৰণৰ কোনো আপত্তি নাই। কিন্তু টংলা আদিৰ নিচিনা ঠাইত State Trading গঢ়ি উঠিব পৰা নাই। সেইবাবে মোৰ সন্দেহ হয় যে যতে মিল আছে তাতে গণ্ডগোলৰ সৃষ্টি হৈছে আৰু State Trading তাত গঢ়ি উঠা নাই। State Trading ৰ দ্বাৰাই খেতিয়কৰ যথেষ্ট খেতিয়কৰ আৰ্থিক উন্নতি কৰাৰ অন্য বাট নাই। সাম্যবাদ বা সমাজতন্ত্র বাদৰ উপকাৰ হব। যি সকল উপাসক সেই সকলে এই অৱস্থানৰ বিৰোধীতা কৰিলে মই বুজিব নোৱাৰো তেওঁবিলাক কোন বিধৰ উপাসক। আমি বুজো যদি কোনো লোকে কৃষক জনসাধাৰণৰ উপকাৰ সাধন কৰিব খুজে তেন্তে তেওঁ বিলাকে এই ব্যৱস্থা মানি লবই লাগিব। কৃষক জনসাধাৰণে যেতিয়া ইয়াৰ উপকাৰিতাৰ কথা বুজি পাব তেতিয়া আমাৰ বা পাটোৱাৰীৰ দৰে লোকৰ সহায় বিচাৰি কোনো নাহিব। যি সকলে আজি State Trading ৰ বিৰোধীতা কৰিছে তেওঁলোকক অনুৰোধ জনাও যে কৃষকৰ মঙ্গলৰ কাৰণে দেশৰ মঙ্গলৰ কাৰণে সকলোৱে State Trading কে সমৰ্থন কৰিব। সেই নিমিত্তে দেশৰ জনসাধাৰণৰ মাজত তেওঁলোকৰ ভালৰ অৰ্থে যদি চৰকাৰে কিবা সুব্যৱস্থা কৰে, তেন্তে মাননীয় পাটোৱাৰী ডাঙৰীয়াই সহযোগ আৰু সমৰ্থন কৰিব। সেই দৰেই তেখেতে এই State Trading আন্দোলনো নিশ্চয় সমথন কৰিব।

**Mr. SPEAKER**: আপুনি শেষ কৰক।

**Shri HARINARAYAN BARUAH (Teok)**: শেষ কৰিছো। সিদিনা এই সদনত এখন ফটো দেখুৱাইছিল আৰু কৈছিল যে এই State Trading ৰ বিৰোধীতা কৰিছে আমাৰ ৰাইজে। মই দেখিছো পুৰণি অভ্যাস এটা গুচাই নতুন কৰিবলৈ গলেই ৰাইজৰ মনত আশঙ্কা হোৱা স্বাভাবিক। কিন্তু যেতিয়া দেখিব যে সেই নতুন পদ্ধতিৰ দ্বাৰা ৰাইজৰ উপকাৰ হৈছে তেতিয়া শ্ৰীপাটোৱাৰীৰ নিচিনা মানুহৰ সহযোগ নোহোৱাকৈও ৰাইজ আগবাঢ়ি আহিব। সেই কাৰণে এই State Trading ৰ বিৰোধীতা কৰা মই সমথন কৰিব নোৱাৰো।

**Shri C. CHHUNGA [Lungleh (Reserved for Scheduled Tribes)]**: Mr. Speaker Sir, at the very outset I should like to express my deep gratitute to you for giving me an opportunity to expess myself for the time in this august House. Being a new Member of this house, I have hesitation to admit the fact that I will have many drawbacks for which I request the hon. Members to exercise their forbearance.

Now, just to start with my speech, I support the motion of thanks moved by Mrs. Jyotsna Chanda on the Address of the Governor of Assam. First of all I associate myself with the sentiment and feelings expressed by the Governor on the demise of S. Fazl Ali, Rev. Nichols-Roy and Thuamluia. Now, while I am quite prepared to share the burden of solving the various problems concerning all the districts of Assam, as a new Member, I like to dwelt mainly on the problems of the Mizo District with which I am most familiar particularly with Mautam Famine. Mr. Thanglura already expressed, the other day, his sentiments and gratitude to the Government for all the helps that have been extended to the starving people of the Mizo District. I do not like to repeat what he has already spoken. However, I like to point out the fact that when the Minister, Tribal Areas Department visited the Mizo District along with Mr. Thanglura at the instance of the Chief Minister, I, and the other office bearers of the Mizo Union party sounded that paddy loan or rice loan would be obsolutely necessary as the majority of the famine-striken people have no purchasing capacity whatsoever, and it was by means of this loan alone that the people

were saved from 1910 to 1911 mautam Famine. Understanding the prevailing conditions, the Chief Parliamentary Secretary Mr. Thanglura lent full support to this suggestion. and if I am not mistaken, Tribal Areas Department Minister, Capt. Sangma also was very much taken up by the suggestion at that time. But, to our great disappointment, uptill now, nothing has been done for the implementation of that suggestion. This undue delay almost give me an impression that it was done deliberately as the ruling party in District is the Mizo Union Party. However, I hope, this momentary presumption is not true. Another point, I like to point out is regarding the distribution of leaftlets by the leaders of the Eastern India Tribal Union. It has been stated in the leafiet that the Government of Assam had decided to distribute rice and paddy at free of cost to those who have no paddy or rice. As many people are quite confused with the leaflet, I shall be grateful if the Tribal Areas Department Minister could confirm this.

**Capt. WILLIAMSON A. SANGMA (Minister, Tribal Areas Department)**: I think some misunderstanding has already arisen with regard to relief. Government decided to extend relief only to the needy people who are not in a position to earn their livelihood. This gratuitous relief will be given only to those persons who are deserving.

**Shri C. CHHUNGA [Lungleh (Reserved for Scheduled Tribes)]**: It means that the gratuitous relief will be given only to disabled and extreme cases.

**Capt. WILLIAMSON A. SANGMA**: Yes, only in genuine cases.

**Shri C. CHHUNGA**: Lately our Chief Minister paid a visit to the Mizo District in order to have the firsthand knowledge of the prevailing situation. His visit has been very beneficial and fruitful as the situation has been tackled on a top level after his visit.

The position has been comparatively improved. Nevertheles, in spite of the gigantic efforts made by our benign Government to meet the situation, much more are yet to be done. While our main object is to pile up enough stock of paddy or rice before the monsoon sets in, there are still many people in the interior who are suffering the hardships owing to ill distribution and irregular supply of rice. So, if the present position is still like this, we are wondering whether enough stock of rice or paddy which will last till October 1960 could piled up before the monsoon sets in. This has worried us in no small measure. I hope Government will kindly take note of this ; otherwise many people would die out of starvation during the monsoon.

Again Sir, you know that communication in the Mizo district ; it is in a deplorable state up till today. I feel that the Government should make an earnest endeavour to improve this as we cannot depend all the time on air dropping.

Now while again my close associate Mr. Thanglura who has already expressed his gratitude for all the help that has been extended to us, I, as the President of the Mizo Union, once again like to express my sincere gratitude to those who have been so understanding and compassionate when we were in distress.

With these few words, Sir, I support the Motion moved by Mrs. Jyotsna Chanda.

(At this stage the Speaker vacated the chair and Shri Ram Nath Das, Chairman, occupied it).

**U. JORMANIK SYIEM [Nongpoh (Reserved for Scheduled Tribes)]**: Mr. Chairman Sir, Governor in his address did not touch one point which I thought was very important. That was about the prevalence of leprosy in some of the Hill districts and particularly in my constituency. On many occassions I tried to impress upon the Government to see how this disease should be controlled. I think on many occassions leprosy dispensary was promissed in Jirang and at Umden and there was also an appeal from the people to open a hospital at Nongpoh which was absolutely necessary. The Governor in his address did not indicate whether there is any scheme for controlling this disease. He has touched almost all the aspects of adminstration for which I am very grateful to him. But still, as I said there are few points which required some observations. From his speech I find that instances of crimes have decreased to some extent I hope that this decrease was due to the vigilance and efficiency of the police department and not through other factors. It is indeed a piece of good news to us that our State is improving so far as crime is concerned. But Sir, I am not sure whether that decrease is due to the efficiency of our police department. Here in this district, particularly in Shillong, quite a number of murder cases passed off undetected. For the last many years I think not a single murder case has been detected, and even cases of minor offence were dropped for want of witness. It may be said that the public do not give full co-operation. But you cannot expect that a witness would come forward voluntarily unless he is approached tactfully and requested that he should come forward and help everybody to combat the evil. Now, Sir, it is yet to be seen that the decrease in the number of crimes is actuallay due to the efficiency of our Police department. I have seen in the Govrnor's Address that batches of officers have been deputed for training in traffic and mob control, etc. Cannot the Government depute officers for getting training in crime detection as well ? I think that will have a great effect on the police administration in the State.

Another point is noted with gratification that the Anti-Corruption Branch has been strengthened. Very few people knew that there was such a Branch, or that such a branch did exist at all. Bribery and corruption is so rampant that unless there is some complaint from the members of the public especially from the Civil Court and from the villagers we find it very difficult to get anything done through the District offices. Even in the District Courts even a **Peshkar** does not put up the record before the Magistrate unless he is approached in a proper way. The same complaints we hear from the people going to the District Transport office. I hope this strengthened Anti-Corruption Branch will try to pull up not only the lower rung but also the high ups because we all know that unless one has got in his mind and unless one knows how to approach the members of the staff, they won't get anything done. People who need permits for running his vehicle, will have to go to the office for days together but even then they could not get anyihing done unless they come again. What does that mean ? I think the Anti-Corruption Branch will be able to tackle this and see shat corruption is eradicated altogether in a short time now that the staff has been strengthened.

Now while welcoming the Governor's Address regarding industrialisation of this backward State of ours, I regret to note that industries seem to have been concentrated in a particular place. Now instead of developing the whole State, I think we shall be developing only one area. I hope Government will distribute industries in all parts of the State especially in the more backward areas. If there is no dispersal in the industries how can there be all round development in the whole State ? For example, what about a Jute Mill at Nowgong, or a Technical Institution at Shillong ? I think Government is aware that hill men are very fond of taking up to technical works mechanical works, and other works of this sort.

Now, Sir, there is not a single technical institute, I mean, Government Technical Institute in any of the Autonomons Hill Districts. It is high time for the Government to consider desirability of starting a Technical Institute either at Shillong or anywhere in the Hill Districts so that the Hill people can get the training and make use of it, which will to an extent solve the unemployment problem. Unless we get some sort of industrial training in our areas, I do not see how the Hydel projects that are going to be established in our area will benefit our people. I hope, Sir, Government will try to explore the possibility of introducing some sort of industries together with training so that people of this area will derive some benefit from the powers which are going to be generate from various Hydel Projects. In the Governor's Address it does not indicate whether any such scheme is going to be taken up in the Autonomous Districts.

In this Session, I find most of the speakers who used to speak fluently in English have started speaking in Assamese. Now, if each one of us starts speaking in our own mother tongue, I do not know what constructive work can be expected from this august House. If we do that thing then this House will be converted into a Tower of Babel no one will understand what the other is saying and there will be no work done. Let us forget what we read in our school days that India is the epitome of the world. So, is Assam an epitome of India. This is a state with so many languages, a Composite State of heterogenous groups of people. So, if we do not speak in English, the majority will be always at disadvantage. May I, therefore, appeal to the honourable Members of this august House, at least, to those who are used to speak in English to speak in the language which we all undestand and we can then co-operate and participate together for the general welfare of the whole State. With these words I conclude my speech.

**Shri DURGESWAR SAIKIA (Thowra) :** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত, মাননীয়া সদস্যা শ্ৰীমতী চন্দই যিটো শলাগনী প্ৰস্তাব আনিছে, তাৰ ওপৰত সদনৰ বিৰোধী দলৰ সদস্য সকলে যি বিৰোধীতা কৰি সমালোচনা কৰিছে তাৰ প্ৰতিবাদ কৰি চৰকাৰৰ দেশ উন্নয়ন আৰু জাতি গঠণ মূলক আঁচনি আৰু কৰি যোৱা কাৰ্য্যসূচীৰ শলাগ জনাই এহাতে বিৰোধীদলৰ সমালোচনাৰ অসাৰতা প্ৰকাশ কৰিছে বুলি কওঁ আৰু আন হাতে শ্ৰীমতী চন্দৰ শলাগনী প্ৰস্তাৱটো সমৰ্থন কৰো। চৰকাৰৰ বিগত কাৰ্য্য সূচীৰ দ্বাৰাই আমাৰ ৰাইজৰ মঙ্গল সাধিব হৈছে আৰু নতুন কাৰ্য্য নীতিক আচনিয়ে ভবিষ্যতে আমাৰ দেশৰ জনসাধাৰণক ক্ৰমান্নয়ে উন্নতিৰ পথেদি আগবঢ়াই নিব বুলি আশাকৰিলো আৰু চৰকাৰৰ এই প্ৰচেষ্টাত সম্বৰ্দ্ধনা জনাওঁ। ৰাজ্যপালৰ ভাষণটি বিশ্লেষন কৰি আমি জানিব পাৰিছো যি দেশ খন কিছুমান মানুহে অন্যায় অত্যাচাৰ ব্যভিচাৰ কৰি ৰাইজৰ বিৰুদ্ধে কাম কৰি আহিছে আৰু এই প্ৰসঙ্গত শান্তি প্ৰতিষ্ঠাত পুলিচ বিভাগৰ

কাৰ্য্যাৱলী ফঁহিয়াই দেখুৱাই ৰাজ্যপালে যি ভাষণ দিছে তাত পুলিচ বিভাগৰ কামৰ তৎপৰতা আৰু দেশৰ সমাজ বিৰোধী কাৰ্য্যাৱলীৰ অৱসান ঘটোৱাৰ পৰাতো প্ৰশংসনীয়। ৰাজ্যত চোৰ ডকাইত আদিৰ বিলোপ সাধনৰ পথত অগ্ৰসৰ হব পৰাতো দেশৰেই উন্নতিৰ পৰিচায়ক। এইদৰে অন্যান্য বিভাগ বিলাকত যাতে তৎপৰতাৰে ৰাইজৰ সেৱাত আত্মনিয়োগ কৰিব পাৰে তাৰ কাৰণে অনুৰোধ জনাই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো। ৰাইজৰ তৰফৰ পৰা আমি এই কথাই চৰকাৰক নিবেদন কৰিব খোজো যে গাৰঁ-ৰক্ষী বাহিনীৰ প্ৰত্যেক কৰ্ম্মীয়েই চৰকাৰৰ বিভিন্ন বিভাগৰ লগত সহযোগীতা কৰিবলৈ প্ৰস্তুত আছে আৰু সেই ক্ষেত্ৰত চৰকাৰে তেওঁলোকক আহ্বান কৰিলেই হয়। শান্তি ৰক্ষাৰ পথত আগতে পুলিচ আৰু গাৰঁৰক্ষী বাহিনীৰ যি ব্যৱধান আছিল এতিয়া সেইটো ক্ৰমে আতৰি যোৱাটো সুখৰ কথা হৈছে। অলপতে লক্ষীমপুৰত এটা ফাটেকীয়ালে ফাটেকৰ পৰা মুক্তি পোৱাৰ ৭ দিনৰ ভিতৰতেই পুনৰ চুৰি কৰি পলাওঁতে গাৰঁৰক্ষী বাহিনীৰ কৰ্ম্মীসকলে ধৰা পেলায়। চোৰে চুৰি কৰাৰ পিচত খেদা খাই হাবিত সোমাইছিল, কিন্তু গাৰঁৰক্ষী বাহিনীৰ কৰ্ম্মী সকলে ঘেৰাও কৰি হাবিত জুই দিয়াৰ ফলত চোৰ ধৰা পৰে। এইদৰে গাৰঁৰক্ষীবাহিনীৰ কৰ্ম্মীয়ে বহুতো এনে কাম যি বিলাক পুলিচে কৰিব পৰা নাই তাক ৰাইজৰ সহযোগত তৎপৰতাৰে কৰিব পাৰিছে। ইয়াৰ দ্বাৰাই প্ৰমান হয় যে এই বিলাক কাম কৰাত ৰাইজৰ সহযোগীতা আছে আৰু ইয়াৰ দ্বাৰাই ক্ৰমে আমাৰ দেশ উন্নতিৰ অভিমুখে ধাবিত হোৱাৰ চিন পোৱা যায়।

V. D. P. এ খাগৰিত জুই লগাই দিলে চোৰ ওলাই পৰিল, আৰু V.D.P. ৰ হাতত চোৰ ধৰা পৰিল। কম সংখ্যক পুলিচে যিটো কৰিব পৰা নাছিল আজি ৰাইজৰ সহযোগত V. D. P. এ কৰিলে। ইয়াত ৰাইজৰ সম্পূৰ্ণ সহযোগ পাইছে বুলিয়েই বিশ্বাস হয়। ঠিক তেনেকৈয়ে V. D. P. Organisation এ শিৱসাগৰত যেতিয়া সন্ত্ৰাসবাদী কাম হৈছিল তাতো V, D. P. এ ভাল কাম কৰিছিল।

তাৰ পিচত যি ক্ষেত্ৰত চায়, শিক্ষাৰ ক্ষেত্ৰত, যাতায়তৰ ক্ষেত্ৰত, শিল্পৰ ক্ষেত্ৰত, প্ৰত্যেক ক্ষেত্ৰতে দেখা যায় আমাৰ চৰকাৰ আগবাঢ়ি গৈছে। বিৰোধী লোকৰ কিছুমানে State Traiding ত একো কাম হোৱা নাই বুলি কয় কিন্তু আচল কথা হৈছে তেওঁলোকে একো জানিবলৈ ইচ্ছা নকৰে গতিকে নজনাকৈয়ে তেখেত সকলে যিহকে ইচ্ছা প্ৰচাৰ কৰা উচিত নহয়। জানিবলৈ চেষ্টা কৰিব লাগে।

এতিয়া অৱশ্যে সদনৰ বিৰোধী দলৰ যিটো সংগঠন সেইটো কমি আহিছে যেন লাগে। উদাহৰণ স্বৰূপে কব পাৰি চীন সম্পৰ্কে যোৱা বাৰ যেতিয়া প্ৰস্তাব অনা হৈছিল তাত দেখিছিলো বিভিন্ন ৰাজনৈতিক দলে বিভিন্ন মত পোষণ কৰিছিল। আৰু প্ৰতিদলে কমিউনিষ্টৰ বিৰুদ্ধে কৈছিল সেই কাৰণে তেওঁলোকৰ সংগঠন ভাঙি পৰা যেন লাগিছে। বৰা ডাঙৰীয়াৰ বক্তৃতাত আজি আকৌ দেখিলো কৃপালীনিক দোষাৰোপ কৰিছে। সিদিনা আকৌ শ্ৰীভট্টাচাৰ্য্য ডাঙৰীয়াই দলৰ নেতা সম্বন্ধে বিশ্লেষণ কৰি যি কলে তাৰ পৰা বুজিছো যে বিৰোধী দলৰ সংগঠন ভাঙ্গি গৈছে পাৰ্লিয়ামেণ্টাৰী দলল। তেওঁ লোকৰ ভিতৰতে শিথিলতা আহি পৰিছে।

Flood Control সম্বন্ধে, State Trading সম্বন্ধে Backward সম্প্ৰদায়ৰ উন্নতিৰ কাৰণে আৰু পঞ্চায়ত সম্বন্ধে, Prohibition সম্বন্ধে ৰাজ্যপালে উল্লেখ কৰিছে যে আমাৰ চৰকাৰে এই বিলাক ক্ষেত্ৰত ভালে খিনি আগবাঢ়ি হৈছে। ব্ৰহ্মপুত্ৰৰ দলং আৰু Hydro Electric ৰ কাম আৰম্ভ হৈছে, চিমেণ্টৰ কাৰখানাৰ কাম

ইত্যাদিত আমাৰ চৰকাৰ যথোচিত আগবাঢ়ি গৈছে। গতিকে শ্ৰীযুক্ত চন্দই যি প্ৰস্তাব দাঙি ধৰিছে সেইটো মই সম্পূৰ্ণ সমৰ্থন কৰিছো। কিন্তু এটা কথা নকৈ নোৱাৰিলো যে আমাৰ চৰকাৰে যি কোনো এটা আইন প্ৰণয়ন কৰিবলে গলে বিৰোধী দলে হকা বাধা দিয়ে এইটোৰ কাৰণে আইন প্ৰনয়নত ভালে খিনি হেমাহি হৈ যায় আৰু তাৰ দ্বাৰা ৰাইজৰ অসুবিধা ঘটে।

তাৰ পাছত পাকিস্তানৰ লগত মিত্ৰতা সূত্ৰ স্থাপন হোৱাত আমাৰ প্ৰধান মন্ত্ৰীয়ে গোটেই পৃথিবীৰ আগত সুনাম অৰ্জ্জন কৰিছে।

নিবনুৱা সমস্যা সমাধানৰ বাবে যে আমাৰ চৰকাৰে যত্ন কৰা নাই সেইটো নহয়। বিনিয়োগ কেন্দ্ৰৰ ৰিপৰ্ট চালে দেখিব আমাৰ বহুত মানুহৰ নিয়োগ হৈছে। কিন্তু মই চৰকাৰক এটা কথা কব খোঁজো যে এফালে যেনেকৈ আমাৰ মানুহৰ নিয়োগ হৈছে, ঠিক সেইদৰে আনফালে বাহিৰা মানুহৰ আমদানিৰ বাটো মুকলি হৈ আছে।

মোৰ কথা হৈছে এই দৰে বাহিৰৰ পৰা অহা মানুহৰ সোঁত বন্ধ কৰিব লাগে আৰু নিয়োগ আমাৰ ইয়াৰ বিনিয়োগ কেন্দ্ৰৰ জৰিয়তে হব লাগে। আমাৰ চৰকাৰে জানে যে কিছুমান চাহ বাগিছা বিক্ৰি হৈছে আৰু লগে লগে তাত অসমীয়া মানুহৰ নিয়োগ নাইকীয়া হৈ গৈছে, অৰ্থাৎ মেকুৰিৰ তীৰ্থ যাত্ৰা হোৱাদি হৈছে। চাহ বাগিছাৰ কেৰানী কামৰ কাৰণেও পুৰণা কোম্পানী বিলাকে মাদ্ৰাজ বা অন্যান্য ঠাইৰ পৰা মানুহ আমদানি কৰিছে। managerial cadre আৰু মানুহ ইয়াতে চাকৰি কৰা experienced আৰু qualified ডেকা হলেও সেই সকলক বঞ্চিত কৰি অসমৰ বাহিৰৰ পৰা ডেকা আনি অসমৰ সমস্যা জুৰুলা কৰি পেলাইছে। এই দৰে কেৰানী, মহৰি, চাহাব কামৰ বাবে বাহিৰৰ পৰা আমদানি কৰা হয় তেন্তে নিবনুৱা সমস্যা সমাধান কৰা টান হব। ইফালে জনসংখ্যা বঢ়াৰ লগে লগে শিক্ষিতৰ সংখ্যাও বাঢ়িছে আৰু শিক্ষিত নিবনুৱাৰ সংখ্যাত বাঢ়িছে। চাহ বাগিছা, তেল শোধনাগাৰ আদিত অসমীয়া মানুহ নিয়োগ কৰিবলৈ চেষ্টা কৰা বাঞ্চনীয়। এতিয়া এজন লিয়াচন অফিচাৰ ৰাকিছে হয়, কিন্তু এজন অফিচাৰে আটাইবোৰ কথাৰ সমন্বয় ৰখা বৰ সহজ নহয়। মাননীয় মেধী ডাঙৰীয়া মুখ্য মন্ত্ৰী থাকোতে এটা হুকুম কৰিছিল যে বেলত অসমীয়া মানুহ লব লাগে আৰু সেই অনুপাতে ভালে মানে অসমীয়া মানুহ টি-টি ই নিয়োগ হল! Surplus tea garden অৰ মানুহ বিলাক যি বাগিচাত মানুহৰ দৰকাৰ হয়, তেনে বাগিচাত নিয়া, অন্যান্য শিল্পত নিয়া ব্যৱস্থা কৰাৰ অতি প্ৰয়োজনীয় সময় আহি পৰিছে। প্ৰথমতে অসমীয়া মানুহে দূৰলৈ যাবলৈ কোচ খায় কিন্তু ক্ৰমে সেই ভয় আতৰিছে। আমাৰ দেশত ষষ্ঠ বা সপ্তম শ্ৰেনীলৈকে পঢ়া বহুত লৰা এনেয়ে আছে। সেই লৰা বোৰক চাহ বাগিছা আৰু সৰু সৰু শিল্পত এপ্ৰেণ্টিচ নিয়োগ কৰিব পাৰে। কাৰণ সেই বোৰক উচচ স্তৰলৈ পঠাব নোৱাৰি। তাৰ বাহিৰে নতুনকৈ যি বোৰ বাগিছা বিক্ৰি হৈছে, তাত অসমীয়া মানুহৰ পৰিবৰ্ত্তে অসমৰ বাহিৰৰ মানুহ নিয়োগ হৈছে। আনকি এই ক্ষেত্ৰত পুৰণি বনুৱাৰ পৰিবৰ্ত্তে নতুন বনুৱা নিয়োগ হৈছে।

গড় কপ্তানী বিভাগত প্ৰায় ১৫ হেজাৰ নিম্ন খাপৰ কৰ্ম্মচাৰী আছে। Day labour যেনে আলি বাটৰ কাম কৰা, মথাউৰীত কাম কৰা ফেৰী ঘাটত কাম কৰা আদি। তেওঁ লোকক যদিও কেজুৱেল বুলি ধৰা হয় তথাপি প্ৰায় গোটেই বছৰেই তেওঁ লোকৰ বহুতৰেই কামহৈ থাকে। তেওঁলেকক under employed বা semi-employed বুলি কব নোৱাৰি। কোনো কোনোৰ চাকৰি ১০—১৫ বছৰ পৰ্য্যন্ত হৈছে। পেটৰ দায়িত্বত এদেৰে চাকৰি কৰা মানুহ বোৰৰ চাকৰিৰ স্থিৰতা নথকাতো বৰ পৰিতাপৰ কথা।

সাধাৰণতে আলিবাটত কাম কৰা মানুহ বোৰক বৰ্ত্তমান সমাজে সমাজৰ নিম্ন খাপৰ মানুহৰ বুলি তেনে এটা মনোভাৱ দেখা যায়, কিন্তু, তথাপিও কিয় কাম কৰিছে। এই কাৰণেই তেওঁ লোকৰ আধিকতাৰ ফলত; কিন্তু ইমানতো যি সকল ৫।১০।১৫ বছৰ কাম কৰি থাকে, সেই সকলক চাকৰি confirm কৰিলেও অন্যত ৫,০০০ লোকৰ নিয়োগ হয়। গতিকে, অতি সোনকালে কথা ঐ ব্যৱস্থা চৰকাৰে লোৱা উচিত। সেই কাৰণে ৰাজ্যপালৰ ভাষণ প্ৰসঙ্গতে কথাটো দাঙি ধৰিছো। আশাকৰো চৰকাৰে ভাল ভাবে কথাটো বিবেচনা কৰিব।

**Shri MAHADEV DAS [Barpeta (Reserved for Scheduled Castes)]:**

মাননীয় Chairman ডাঙৰীয়া, আমাৰ ৰাজ্যপাল মহোদয় এই সদনত অসমদেশ খনত যোৱা বছৰ উন্নতিৰ কাৰণে কি কি কাম কৰিলে, আৰু এই বছৰত কি কি কাম কৰিব। সেই মৰ্মে যি এটি কম সময়ৰ ভিতৰতে ভাষণ দিলে, মই গঁচাকৈ শলাগ নলৈ নোৱাৰো আৰু এই ভাষণৰ শলাগ জনাই শ্ৰীমতী জ্যোৎস্না চন্দই যিটো প্ৰস্তাৱ আনিছে সেইটোক মই সমৰ্থন জনাইছো।

এই সদনত থকা আমাৰ বিৰোধী দলৰ বহু সভ্যই আমাৰ গভৰ্ণমেণ্টে কৰা কামৰ ওপৰত কিছুমান বিৰোধী মূলক কথাকৈ গভৰ্ণমেণ্টক গৰিহনা দিয় ওলোৱাত মই মুঠেই ভাল পোৱা নাই। কাৰণ আমাৰ দেশত এটি চলিত প্ৰবাদ আছে যে যদিহে আমাৰ ভিতৰত গঠন মূলক কাম বোৰত পৰস্পৰৰ সহানুভূতি আৰু সহায় নেথাকে তেন্তে বিৰোধী দলৰ সদস্য সকলে আমি "আই" বুলিলেও জগৰীয়া কৰিব আৰু "তাই" বুলিলেও জগৰীয়া কৰিব। সেয়েহে আজি দেশ স্বধীন হোৱাৰ ১২ বছৰ পিচটো তেওঁলোকে হেনো কোনো উন্নতিমূলক কাম আমাৰ গৱৰ্ণমেণ্টে জনসাধাৰণৰ কাৰণে কৰিব পৰা নাই এই সদনত উত্থাপন কৰিছে। মোৰ বন্ধু শ্ৰীতৰুন সেন ডেকা এই সদনত বৰ্ত্তমানত অনুপস্থিত আছে তেওঁ থাকিলে ভল হলহেতেন। তেওঁ কৈছে যে ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণত খেতিয়ক শ্ৰেণীৰ লোকৰ কাৰণে কোনো উন্নতি মূলক আঁচনি কথা উল্লেখ নথকা বুলি। মই তেওঁক সুধিব খুজো আজি যে ১২ বছৰে গাৱলীয়া ৰাইজৰ কাৰণে, মথাউৰী ৰাস্তা, চিকিৎসালয়, গো চিকিৎসালয়, পঢ়া শালী, কলেজ আদি নানা ধৰণৰ কাম আমাৰ গাওঁ বিলাকত কৰিছে এই বোৰত আমাৰ ৰাইজে উপভোগ কৰা নাইনে? মোৰ বোধেৰে বেছি ভাগ কাম আমাৰ গাৱলীয়া ৰাইজৰ প্ৰতি লক্ষ্য ৰাখিয়ে আমাৰ নেতা সকলে উন্নতিৰ আঁচনি সমূহ ৰচনা কৰিছে। মই যদি সচাকৈ কব যাওঁ যি সকল সভ্যই আমাৰ ইয়াৰ পৰা অৰ্থাৎ অসম দেশৰ পৰা, বিহাৰ, উত্তৰ প্ৰদেশ নতু আন কোনোৱা প্ৰদেশলৈ গৈছে তেন্তে তেওঁ নিশ্চয় স্বীকাৰ কৰিব যে আমাৰ অসম প্ৰদেশত থকা গাৱঁলীয়া ৰাইজ বহু গুণে সুখী, তাৰ মূল কাৰণ প্ৰায় ৫০০ বছৰ পৰ্বে আমাৰ মহাপুৰুষ শঙ্কৰদেৱ, মাধৱ দেৱ, দামোদৰ দেৱ এই কেই জনা মহাপুৰুষৰ জন্ম আমাৰ দেশত হোৱা হেতুকে তেখেত সকলে সমাজ উন্নয়নৰ ব্যৱস্থা গ্ৰহণ কৰাৰ ফলত আজি, আমি গৰ্ব্ব কৰি কব পাৰো যে বৰ্ত্তমানত ভাৰতৰ ভিতৰত থকা গাওঁ সমূহৰ ভিতৰত অসমবাসী গাওঁলীয়া ৰাইজ বহুগুণে সুখী। যোৱা বাৰ Budget session ৰ পিচত মোক Community Project Training ৰ কাৰণে মৌচুৰীলৈ যোৱাৰ সুবিধা ঘটিছিল। তাত ভাৰতবৰ্ষৰ ভিন্ন দেশৰ পৰা কেবা জনো প্ৰতিনিধি আহি প্ৰায় ৪২ দিন মান আমি একে শিবিৰতে থাকি নতুন উন্নতিমূলক কাম কিছু মানৰ শিক্ষা লৈছিলো। সেই সময়ত আমি যি সকল অসমৰ পৰা শিক্ষা লবলৈ গৈছিলো তাত আমি গৰ্ব কৰিব পাৰিছিলো যে আইন সম্পকীয় কথাত আমাৰ অসমদেশে আটাইবোৰ প্ৰদেশতকৈ আগবঢ়া, কাৰণ তাত সেৱা সমবায়, শ্ৰমিক বাহীনি, পঞ্চায়ত, Land reform আদি কথা বোৰৰ বিষয়ে বেছি আলোচনা চলিছিল আৰু সেই বিলাকৰ কথা মই এতিয়া কৰ নেযাওঁ যিহেতু এই সদনত থকা সভ্য সকলে বিচাৰ কৰি চালে সকলো বোৰ পৰ্য্যায় হোৱা আইনৰ কথা

ভালকৈ জানে। ৰাজ্যপাল ডাঙৰীয়াই আমাৰ দেশত নতুনকৈ প্ৰৱৰ্ত্তন হোৱা পঞ্চায়ত আইন খনৰ শলাগ লৈছে সচাঁকৈ মইয়ো তেওঁৰ কথাতে হয় ভৰ নিদি নোৱাৰোঁ। মোৰ বিশ্বাস যদি আমি আমাৰ গাৱঁবাসী ৰাইজৰ সৰ্ব্বাঙ্গীন মঙ্গল সাধন কৰিব খুজো তেন্তে আমাৰ জাতীৰ পিতা মহাত্মা গান্ধীৰ কল্পিত ৰাম ৰাজ্য এই পঞ্চায়ত আৰু সেৱা সমবায়ৰ জৰিয়তেহে তৈয়াৰ কৰিবলৈ শক্তি পাম। আজি এই সদনত থকা বিৰোধী দলৰ পক্ষৰ পৰা পঞ্চয়ত আইন পৰ্য্যায় কৰাৰ কাৰণে যি অস্থায়ী কমিটি বোৰ গৱৰ্ণমেন্টৰ পৰা তৈয়াৰ কৰি দিছে তাৰেহে বেচি আলোচনা চলিছে। কোন পঞ্চায়তৰ সভাপতি কোন দলৰ পৰা হল তাৰ সমালোচনাত পঞ্চায়ত ৰাজ্য প্ৰতিষ্ঠা কৰা নহয়। সকলো দলৰ লোকে গঠন মূলক কামত সহযোগ কৰি দলীয় স্বাৰ্থ ত্যাগ কৰি যদি কামে কাজে নৈতিক চৰিত্ৰৰ পৰা বিচলিত নোহোৱাকৈ কাম কৰো তেন্তেহে পঞ্চায়ত আইন, এই সদনত পাছ কৰাৰ সাৰ্থকতা থাকিব। এই আইন খনৰ দ্বাৰা যে আমাৰ ৰাইজ উপকৃত হয়।

তাৰ কথা বিৰোধী দলৰ সদস্য কিছুমানে বুজিব পাৰি কংগ্ৰেছ দলীয় লোক সকল ৰাজ্যৰ মাজত প্ৰিয় পাত্ৰ বেচিকৈ হোৱাৰ আশঙ্কা তেওঁলোকে গণনা কৰি এই সুন্দৰ আইন খনৰ ওপৰত সৰীহনা দিয়াত মোৰ বিশ্বাস হৈছে যেনেকৈ পাগুপাত বানৰ হাতৰ পৰা মানুহ ৰক্ষা নেপায়, ঠিক তেনে ৰাম স্বৰূপ পঞ্চায়েত আইনৰ সহায়ত কোনো দলীয় স্বাৰ্থৰ ভাৱ নেৰাখি কংগ্ৰেছ কৰ্ম্মী সকলৰ লগত মিলিজুলি ৰাইজৰ মঙ্গল অতি সোনকালে সাধন কৰাৰ কাৰণে গোহাৰি জনালো। সেৱা সমবায় ক্ষেত্ৰতও অসম। পিচপৰা নহয় কাৰণ ভাৰত গভৰ্ণমেন্টৰ নিৰ্দ্দেশ আছে যে এই প্ৰদেশ খনৰ প্ৰায় ৫½ লাখ গাওঁ আছে। ইয়াৰ জন সংখ্যাৰ ওপৰত ভিত্তিকৰি যদি প্ৰত্যেক সেৱা সমবায়ত ভিতৰত এক হেজাৰ লোকৰ সংখ্যা ধৰি সমবায় তৈয়াৰ কৰা হয়। তথাপি আমাক ৭ সাত বছৰ সময় লাগিবোক, কিন্তু আমাৰ প্ৰাদেশীয় গভৰ্ণমেণ্টে অসম প্ৰদেশ খনৰ চুকে কোনে সেৱা সমবায় তিনি বছৰৰ ভিতৰতে তৈয়াৰ কৰাৰ আঁচনি হাতত লৈছে। মই নিজে জানো মোৰ বৰপেটা মহকুমাত প্ৰায় ৮০০ খান সেৱা সমবায় হব তাৰ ভিতৰত আমাৰ কৰ্ম্মী সকলৰ সহ-যোগত ৪০০ খন আজিলৈ তৈয়াৰ হৈছে। মোৰ বিশ্বাস কৃষক ভাই সকলৰ একমাত্ৰ সহায় আৰু সম্বলৰ ঠাই এই সেৱা সমবায়ে হব।

State Trading Policy গৱৰ্ণমেণ্টে গ্ৰহণ কৰি কৃষকলোক সকলৰ দ্বাৰা উৎপন্ন হোৱা খেতিৰ বয় বস্তুবোৰ যাতে উচিত মূল্য পায়, তাৰ কাৰণে সমবায় তৈয়াৰ কৰি ধান আদি বেচা কিনাৰ প্ৰথা আমাৰ দেশত চলোৱাত ৰাইজে সমৰ্থন জনাইছে। যদিও এই কথাখিনি পোন প্ৰথমে বুজাত কিছু দিগদাৰ ভূগিব লগাত পৰিছিল। আজি এই অৱস্থা কৃষক ভাই সকলৰ মাজৰ পৰা দিনক দিনে আঁতৰ হৈ আহিব ধৰিছে। সেই ফেৰা দোষ অতি সোনকালে দূৰ কৰিব হলে ৰাইজৰ মাজত যোৰেৰে প্ৰচাৰ চলোৱাৰ কাৰণে গৱৰ্ণমেণ্টক অনুৰোধ জনোৱা হল। ৰাইজৰ সমৰ্থন থকা বুলি মই এই সদনত 'বোমা' মাৰি কোৱা নাই তাৰ প্ৰমাণ আপোনাসকলে হাতে হাতে পাব। কাৰণ গৱৰ্ণমেণ্টে এই State Trading ৰ জৰিয়তে কেই মাহ মানৰ ভিতৰতে ৩৫ লাখ মোণ ধান ক্ৰয় কৰাৰ কথা আছিল, আৰু প্ৰতি মাহত কিমান লাখ মোণ ক্ৰয় কৰিব তাৰ তালিকা কেন্দ্ৰ বোৰলৈ জনাই দিছিল। সেই কেন্দ্ৰ বোৰৰ পৰা যদি সংখ্যা গোট কৰা হয় তেন্তে যি সময়ত যিমান মোণ ক্ৰয় কৰাৰ কাৰণে নিৰ্দ্দেশ দিছিল ঠিক সেই সময়ত তিমান লাখ মোণ কৃষক ৰাইজৰ পৰা ক্ৰয় কৰিব পৰাটোৱে ৰাইজে এই তিনি সমথন কৰাটো বজায়। কিছুমান সদস্যই কৈছে যে ধানৰ দামৰ লগত আন আন বস্তুৰ দামৰ সামঞ্জস্য থকা নাই ধানৰ দাম কম হৈছে আৰু আন বস্তুৰ দাম বেছি দি বজাৰৰ পৰা কিনি ব্যৱহাৰ কৰাত ৰাইজৰ অন্যায় হৈছে। মই কব পাৰো আন বস্তুৰ দামৰ তুলনাত ধানৰ দাম বৰ্ত্তমানত বেছিহে দেখা যায়। কাৰণ স্বাধীনতা পোৱাৰ পূৰ্ব্বে চেনি ⁄১ সেৰৰ দাম ।০ অনা মাত্ৰ আছিল। সেই চেনি আজি বজাৰত

এটকাকৈ পায়। অৰ্থাৎ চাৰি গুনহে বাঢ়িছে। আন হাতে যদি ধানৰ দামৰ লগত মিলাই চাও তেন্তে দেখিব পাওঁ ধানৰ দাম ৯ গুণ বাঢ়িছে। অৰ্থাৎ ১৲ টকাত ১৴ মোন, এতিয়া ১ মোনত ৯৲ টকা গৱৰ্ণমেণ্টে দাম দিয়ে সতিকে বিৰোধী দলৰ বন্ধু সকলৰ তৰফৰ পৰা যি যুক্তি আগ বঢ়াইছে তাক মই গ্ৰহণ কৰিব নোৱাৰাত দুখ পালো। মোৰ বন্ধু বিৰোধী দলৰ সদস্য শ্ৰীবৰা ডাঙৰীয়াই কৈছে যে স্বাধীনতা পোৱাৰ বাৰ বছৰ কালৰ ভিতৰত ৰাইজে গৱৰ্ণমেণ্টৰ দ্বাৰা যি ধৰণে কাম কাজ পাব লাগিছিল সেই ধৰণে আগুৱাই নিব পৰা নাই। সতিকে বহু কামৰ বোজা তেওঁ অতি খৰকৈ কৰাৰ কাৰণে যুক্তি দিছে। মই কিন্তু তেওঁৰ কথাত মুঠেই একমত হব পৰা নাই কাৰণ কাম বোৰৰ planning নকৰাকৈ কৰাকৈ কৰা মানে একোটাকে সমাধা কৰিব নোৱাৰা। আৰু মই বুজাত এই টোৱে বুজো যে প্ৰত্যেক পৰিকল্পনা ৰাইজৰ আৰ্থিক সমস্যাৰ লগত সামঞ্জস্য ৰাখি তৈয়াৰ কৰা হয়। তেনে ধৰণৰ পৰিকল্পনা আমাৰ দেশত দুবাৰ হৈছে। আৰু তাৰ পৰা ৰাইজে উপকৃত হৈছে। তেনে স্থলত তেওঁ স্বীকাৰ কৰাত টান পোৱাটো স্বাভাৱিক কাৰণ ভাৰতত থকা কমিউনিষ্ট ভাই সকলৰ বৰ্ত্তমানত মণি হেৰা মণিৰ ক্ৰোধ নিঃশ্বাস যেনে ঠিক নিৰ্ব্বাচনত কেৰেলা হেৰুৱাটোও ঠিক তেনে যেন হৈ পৰিছে। সতিকে ৰাগ নকৰি যদি ৰাইজৰ মঙ্গল সাধন কৰাৰ ইচ্ছা থাকে তেন্তে পৰিকল্পনাৰ কাম বোৰত ৰাইজক বঢ়াই বুজাই সহযোগ কৰিলে দেশৰ আৰু দহৰ মঙ্গল কামনা কৰাৰ কাৰণে সহায় কৰা হব। যোৱা বছৰত আমাৰ দেশত বানপানীয়ে বহু মথাউৰি আদি ভাঙি খেতি পথাৰ ধ্বংস কৰা কথা সকলোৱে জানে সেই মথাউৰি বিলাকৰ কাম অধিকৰা খিনি তৈয়াৰ কৰাৰ কাৰণে গৱৰ্ণমেণ্টে যত্ন কৰিছে। যদিও ভাৰত গৱৰ্ণমেণ্টৰ পৰা যথেষ্ঠ টকাৰ সহায় পোৱাত বহু ব্যাঘাত জন্মিছে নিৰনুৱা সমস্যা সমাধান ক্ষেত্ৰত বহু শ্ৰমিক আঁচনিৰ যোগেৰে গৱৰ্ণমেণ্টে আগবঢ়ি যোৱা কথা আমাৰ অবিদিত নহয়। শ্ৰমিক ৰাহিনি, শোধানাগাৰ চাকৰী নাকৰী, শিল্প আদিত ঋণ দান আদি বহু ধৰণৰ দি অতি পাত চেষ্টা কৰি আছে। আৰু মোৰ বিশ্বাস আমাৰ দেশত প্ৰতিস্থান হোৱা আৰু হবৰ কাৰণে কল্পনা কৰা বিজুলী যোগান সাফল্য মণ্ডিত কৰিব পাৰিলে অতি কম সময়ৰ ভিতৰতে প্ৰকৃতিয়ে থৈ যোৱা আমাৰ দেশৰ বস্তু বোৰৰ দ্বাৰা আমাৰ পিচপৰা অংশটো গঠন কৰাৰ কাৰণে শক্তি পাম। পিচপৰা জাতি মানুহৰ কল্যাণৰ কাৰণে গৱৰ্ণমেণ্টে উঠি পৰি লগাটো কোনেও নুই কৰিব নোৱাৰে অনুসূচীত, জনজাতি, আৰু পিচ পৰা জাতি সমূহৰ উন্নতিৰ কাৰণে প্ৰত্যেকতে একোখন উপদেষ্টা কমিতি ৰাজ্যিক গৱৰ্ণমেণ্টে তৈয়াৰ কৰি দি তাৰ আচনি সমূহ কাৰ্য্যকৰী কৰাত আমি শলাগ লৈছো। আৰু টানি অনুৰোধ, যি খিনি বাকী আছে তাৰ প্ৰতি বিশেষ দৃষ্টি দিব যাতে অতি কম সময়ৰ ভিতৰত আমাৰ ভিতৰত থকা ভেদা ভেদৰ ভাব দূৰ কৰিব পাৰি ইয়াৰ বাহিৰেও মোৰ কবলৈ ইচ্ছা আছিল কিন্তু সময়ৰ অভাৱত কব নোৱাৰি শ্ৰীমতী চন্দৰ প্ৰস্তাৱটো সমৰ্থন কৰি সামৰণি মাৰিলোঁ।

জয়হিন্দ্।

**Adjournment**

The Assembly was then adjourned for lunch till 2 P.M.

**(After Lunch)**

**Shri MATHIAS TUDU (Gossaigaon)*: Mr. Chairman, in support of the amendment moved on the Governor's Address, Sir, I shall speak only a few words. Sir, in the State of Assam the labour problem is a major problem. We have Tea Gardens. Besides we have forest reserves and forest ground. In both the cases the labour is a major problem. As a matter of fact one-sixth of our population is labourer. Now Sir, we do not know what the Government is going to do for the labourer, because there is no mention anything about the labourers in the Address of the Govern-on. That the condition of the labourers is deplorable is known to all of us.

---

*Speech not corrected.

I do not like to repeat the old story here again. Now in the Address it is said that ours is a Welfare State. But I do not know how our state can be an Welfare State if one sixth of populatio.. is excluded or they are to remain outside from our civilization. Their ecomomic condition is unduly neglected. In the case of the Tea Gardens so far as I know, there is some provisions to help them in the shape of house. They may also be extended with some monetary help. So far I know these labourers are given some lumpsum grant. As a matter of fact, this help is not very useful to them. Because they finish this amount within a few days and they have to remain again in their former deplorable condition. We must therefore find out some other help for them and I think the means will be important than the end. In that case I want to suggest that they should be given some sort of means by which they will be able to earn their living and be able to ameliorate their condition. Amongst the means, I feel the education is very important. If they can be educated Government should provide some facilities for education to this group of people. Then I think they will be able to make out their own lots in the all sphere of life. So the best means is to give them education. So far as the education of the labourer is concerned, I donot know very such. I cannot find a solution anywhere. To the best of my knowledge, I think that some sorts of stipends are given by the I. T. A. But am not sure about it. After passing the Matriculation examination they applied for scholarship, but to no result. I asked so many students they said that did not get the stipends. I donot know how these poor students can be help. There are the children of the labourers who are living from hand to mouth. How can these labourer be able to support their children in their studies. It is not possible for them. So I feel that atleast for these labourers for these students who belong to the labour class should be given free education if not more atleast upto the Matricuation stage. Unless this privilege is given to them, they will not be able to study even upto the High School stage, because they are so poor. Then secondly, about their economic and other upliftment, I think if welfare officers are appointed from the labourers who have knowledge the problems of the labourers they will be able to discover the defects and find out ways and means by which they can be helped. These welfare officers should be drawn from the labour class, in that case they will be able to understand them and feel for them.

Then, Sir, I want to speak about education in general, just a few words only. A few days ago there was a circular to all Aided High Schools that the Government Service Conduct Rules were also to be made applicable in the case of the staff of such High Schools. But I do not know whether other privileges will also come along with it. If Government Service Conduct Rules are applied to teachers of Aided High Schools, necessary provision for promotion and pension should also be there. These points should be made clear but it is not clear in the circular.

Then in the case of Middle English and Middle Vernacular schools we find that the policy of the Government is not clear or does not seem to be justified. Because we find that in the case of students who are reading in Middle Vernacular schools, they are exempted from paying fees but in the cases of students regarding in Middle English schools, they are charged fees. Why this disparity ? Nowadays even English is being taught in Middle Vernacular schools. In my opinion both in the Middle English and Vernacular schools there should be no fees and education should be free upto the Middle English standard for all students in general.

The next point, Sir, is regarding allotment of land to landless people in my constituency. The intention of the Government as I know is that while alloting lands to the landless people, preference will always be given to those who come through a Co-operative Society. Now in forming Co-operetive Societies there is one difficulty. The difficulty is that when a group of people comes to the Settlement Office and asked for a plot of land, the officers asked them whether they have a registered society and if that society is not registered, the Settlement Officer is not registering, the Settlement Officer is not going to give them land. Then this group of people goes to the Co-operative Officer who asked "Well, have you got any land in your society ?" If these people have no land, the society cannot be registered. Now these people cannot get land because their society is not registered and the society cannot be registered because they have no land. So, how these people can be provided with land ?

*M. MOINUL HAQUE CHOUDHURY (Minister, Co-operation): I in what place this has been so, Sir ?

*Shri MATHIAS TUDU (Gossigaon): Gossigaon.

*M. MOINUL HAQUE CHOUDHURY: If the hon'ble Member gives the details, I can make an enquiry. I do not understand how this happened. Will the hon'ble Member please give me the name of the society or the name of the officer so that I can look into the matter ?

*Shri MATHIAS TUDU: I had a talk with both the Settlement Officer and the Deputy Co-operative Officer at Gossaigaon. We were discussing about one society and the Settlement Officer told me "I cannot give land unless the Co-operative Society is registered".

**The Chairman**: (Shri Ram Nath Das):

That is contrary to the Government policy.

*Shri MATHIAS TUDU: I do not know.

*M. MOINUL HAQUE CHOUDHURY: If the contention of the hon'ble Member is correct and if I have understood him correctly, I must say that the officers concerned have not read our circulars or they must not have receive them. We will have to take steps to educate them ; this reply was not correct on their part.

**The Chairman**; (Shri Ram Nath Das):

In view of the fact that the hon'ble Member has stated definitely that in his area the Co-operative Officer is not setting as decided by the Government, it will be better, I think, if the Government will just remind their officers or issue a fresh circular so that there cannot be any difficulty.

*Shri MATHIAS TUDU: My opinion is that there was no such circular otherwise they could have shown that to me.

*M. MOINUL HAQUE CHOUDHURY: I said about this in reply to the speech delivered by Shri Borbaruah on the floor of the House.

*Speech not corrected.

**The CHAIRMAN**: (Shri Ramnath Das):

It will be better if a fresh circular is issued.

***M. MOINUL HAQUE CHOUDHURY** (**Minister, Co-operation**): Who is that officer, may I know his name?

**The CHAIRMAN**: (Shri Ramnath Das).

Is there any objection on the part of the hon'ble Member to name the officer?

***Shri MATHIAS TUDU** (**Gossigaon**): I should be give the name of the officer outside the House. The officer is the present Deputy Co-operative Officer-in-charge of Gossaigaon.

These are some of the points I want to place before this House this with these I resume my seat.

**Maulavi RAHIMUDDIN AHMED (Jamunamukh):** माननीय চেয়াৰমেন মহোদয়, ৰাজ্যপালৰ ভাষণ সংক্ৰান্তত বিৰোধী দলৰ কেইবাজনো সদস্যই নানান ভাষা ব্যৱহাৰ কৰিছে। মই বুজি নেপাওঁ তেওঁলোকে ৰাজ্যপালৰ ভাষণত কি খুত দেখা পাইছে। ভাৰতৰ সংবিধান অনুসৰি ৰাজ্যপালৰ ভাষণত দেশৰ উন্নতিৰ অৰ্থে চেষ্টা কৰা সকলো কথা সংক্ষেপে সাৰুৱা ভাষাত উনুকিয়াই গৈছে। সেই ভাষণত যদি ক্ষুদ্ৰ-ক্ষুদ্ৰ কথাবোৰে উল্লেখ কৰিব লগা হয় তেনেহলে এখন মহাভাৰত হব। ৰাজ্যপালৰ ভাষণ সৰ্বাঙ্গ সুন্দৰ হৈছে আৰু মই সেই কাৰণে তাক সমৰ্থন কৰিছো।

ৰাজ্যপাল মহোদয়ৰ ভাষণত বিতং বিৱৰণ নাথাকিলেও চমুভাবে চৰকাৰৰ শাসন পদ্ধতি আৰু উন্নয়নমূলক কাম সমূহৰ এনে সুন্দৰ এটা বৰ্ননা দিছে যে তাক শুনি মই কব খোজো যে আমাৰ ৰাজ্যপাল মহোদয়ৰ ভাষণটো সৰ্ববাঙ্গীন সুন্দৰ হোৱাৰ উপৰিও সময়োপযোগী হৈছে আৰু অসম ৰাজ্যৰ উন্নতি বিধানৰ যিবিলাক পৰিকল্পনা তাক গভীৰ চিন্তাধাৰাৰে সৈতে উল্লেখ কৰিছে বুলি মই কব খোজো। সেইকাৰণে মই তেখেতৰ ভাষণৰ কাৰণে অভিনন্দন জনাওঁ।

এটা কথা হল যে আমাৰ বিৰোধী দলৰ নেতাসকলে কৈছে যে কমিউনিষ্ট চীনৰ লগত চীনা বে-আইনি আক্ৰমণ আৰু ভাৰত ৰাষ্ট্ৰৰ সীমান্ত বেদখলৰ কাৰণে ভাৰতৰ মতভেদ হৈছে ; এইটো সমাধান কৰিবলৈ হলে কি প্ৰনালীৰে কৰিব লাগিব ? আমাৰ প্ৰধান মন্ত্ৰী নেহৰুৱে যি ভাবধাৰা পোষণ কৰিছে তাৰ দ্বাৰা সমগ্ৰ পৃথিবীতে অসীম শান্তি আৰু প্ৰেমৰ আলম লৈ সকলো সমস্যা সমাধান কৰাৰ এটা প্ৰয়াস, এইকথা সমগ্ৰ পৃথিবীয়ে স্বীকাৰ কৰিছে। এই নীতিৰ ওপৰত ভিত্তি কৰি সেই ভাৰতবৰ্ষই যুদ্ধত লিপ্ত নহৈ সকলো সমস্যা আৰু বিবাদ পৰিহাৰ কৰি শান্তি, প্ৰেম, সৎভাৱৰ মাজেৰে সকলো সমস্যা সমাধান কৰিব বিচাৰিছে। পূৰ্বৰ পাকিস্তানৰ লগত থকা বহু বিবাদ শান্তিৰে সমাধান হৈছে। ভাৰতৰ এই নীতিৰ কাৰণে পৃথিবীয়ে ভাৰতক অভিনন্দন জনাইছে আৰু শক্তিশালী জাতি-সমূহেও ভাৰতৰ বৰ্ত্তমান কংগ্ৰেছ নীতিৰ ফালেই ঢাল খাইছে। ভাৰতীয় জাতিৰ অদৰ্শ পৃথিবীয়ে গ্ৰহণ কৰিছে। আমাৰ বৰ্ত্তমান নীতিৰ যদিও সমালোচনা কৰিছে, মোৰ বোধেৰে সেই সমালোচক সকলৰ আন কিবা উদ্দেশ্যহে আছে যেন লাগে। মোৰ বোধেৰে তেখেতসকলে শক্তি আহৰণৰ ক্ষেত্ৰত ভাৰতীয় জাতিক ইচ্ছানুযায়ী পৰিচালনা কৰিব খুজিছে। আজি চৌৱেনলায়েও নেহৰুৰ নীতিৰ ওচৰত মাথা নত কৰি আলাপ আলোচনাত আহিবলৈ আগ্ৰহ কৰিছে।

---

*Speech not corrected.

আজি আচাৰ্য্য কৃপালনীয়ে আমাৰ দেশক কি প্ৰনালীৰে বা পদ্ধতিৰে দেশক পৰিচালনা কৰি চীনে বেআইনি কৰি লোৱা অসমৰ ভুখণ্ড উদ্ধাৰ কৰিবলৈ মন কৰিছে? ভাৰতক যুদ্ধ নীতিত অনুপ্ৰানীত কৰিবলৈ আগবঢ়াটো যুক্তিসঙ্গত হোৱা নাই। এই নীতিত ভাৰতৰ মঙ্গল হব বুলি মই বিশ্বাস নকৰো।

আজি অন্যান্য সদস্য সকলে বহুত কথাই কৈছে মই সেইবিলাকৰ পুনৰুত্থাপন কৰিব নোখোজো।

বৰ্ত্তমান নগাসকলৰ আমাৰ লগত যি সম্বন্ধ যদি চাওঁ তেওঁলোক কি পথেৰে পৰিচালিত হৈছে, তেওঁলোকে যে আকৌ আমাৰ লগতে মিলিব মোৰ বিশ্বাস আছে। বৰ্ত্তমান নীতিৰে আমি তেওঁলোকৰ লগত আদান-প্ৰদান কৰিলে নিশ্চয় তেওঁলোকে আমাৰ লগত সহযোগ কৰিব। আমি বহু ক্ষেত্ৰত দেখিবলৈ পাওঁ, আমাৰ যি এটা প্ৰেমভাব আছে সেইৰকমে যদি আমি আগৰে পৰা আমাৰ পাহাৰী ভাইসকলৰ প্ৰতি ভাল চকুৰে চালোহেঁতেন তেন্তে তেওঁলোকে অলপ সময়ৰ ভিতৰতে আমাৰ লগত জাপ খালেহেঁতেন। বৰ্ত্তমান চৰকাৰে আমাৰ নগা ভাই সকলৰ লগত যিটো নীতি অৱলম্বন কৰিছে আৰু অলপ বঙা চকুৰে চালে শীঘ্ৰে সমাধান হব বুলি মই ভাবো।

অসমীয়া ভাষাক ৰাজ্যিক ভাষা কৰা সম্পৰ্কে ৰাজ্যপালৰ ভাষণত কোনো উল্লেখ নাই। এনে ধৰণৰ বিষয় বিলাকৰ সকলো খুতি-নাতি যদি উল্লেখ কৰিবলৈ অপাৰগ হয়, তাত আপত্তিৰ কাৰণ থকা উচিত নহয়। যদি অসমবাসীয়ে সঙ্ঘবদ্ধ হৈ অসমীয়া ভাষাক ৰাজ্যিক ভাষাত পৰিণত কৰিব খোজো, ৰাজ্যপালেও নিশ্চয় সহযোগ কৰিব। আমাৰ ভিতৰত সেই সঙ্ঘবদ্ধতা এতিয়াও গঢ়ি উঠা নাই। মনিপুৰৰ লগত সহযোগীতা কৰিবলৈ যেতিয়া অন্য বিষয়ে আপোনালোকে জোৰ দিয়ে, হাওৰা ঘাটৰ ৩৬০ ঘৰ মানুহক প্ৰকৃত ভূমিহীন বুলি মাটি বন্দবস্তিৰ আলম লৈ ৪।৫ হাজাৰৰ লগত বিদ্ৰোহ কৰিছে, নগা জাতিৰ সম্বন্ধে আপোনালোকে কব যে কি অশান্তিৰ সৃষ্টি কৰিছে, কিন্তু হাওৰা ঘাটৰ খবৰ আপোনালোকে ৰাখেনে? নগা ভাই সকলৰ সম্বন্ধে নকয় কিয়? তেন্তে আপোনালোকে আইন ভঙ্গকাৰী সকলকো উৎসাহ দিব আৰু আনফালে আইন ভঙ্গ কৰা লোক সকলক বিধান অনুযায়ী শাস্তি নিদিলেও কব যে চৰকাৰ ঠিক নহয়— শাস্তি দিলে কব যে চৰকাৰ অত্যাচাৰী—ই কেনে ধৰণৰ সমালোচনা!

মই আন এটা কথা কওঁ-শিক্ষা সম্বন্ধে। আজি চৰকাৰে যি শিক্ষা আঁচনি লৈছে সেইটো ভালেই লৈছে। অসমলৈ যিবিলাক ইমিগ্ৰণ্ট আহি বসবাস কৰিছেহি, তেওঁলোকে নিজৰ মাতভাষা পৰিহাৰ কৰি অসমীয়া ভাষাকেই আকোৱালি লৈ নিজৰ মাতৃভাষা হিচাবে গণ্য কৰিছে। অসমীয়া ভাষা তেওঁলোকৰ মাজত প্ৰচলনৰ হাবিয়াস কৰিছে। এনেস্থলত তেওঁলোকৰ লৰা ছোৱালী বিলাকক অসমীয়া ভাষা শিক্ষা কৰিবলৈ সুবিধা দিবৰ কাৰণে স্কুল আদি পাতি দিব লাগে আৰু এই মৰ্ম্মে মই আশা কৰো, অহা বছৰৰ বাজেটত যথেষ্ট টকাৰ ব্যৱস্থা কৰিব।

তাৰ পিচত State trading সম্বন্ধে মই ইয়াকে কওঁ যে ইয়াৰ দ্বাৰাই দৰিদ্ৰ খেতিয়ক সকলৰ উপকাৰ হৈছে। এই কথা মই এই কাৰণেই কৈছো যে এই ক্ষেত্ৰত মোৰ যথেষ্ট বাস্তৱ জ্ঞান আছে আৰু মই গ্ৰাম্য অঞ্চলৰ পৰাই আহিছো। যদি আজি State trading ৰ প্ৰচলন নহল হেঁতেন, দৰিদ্ৰ খেতিয়ক সকলে আজি ইমান অৰ্থনৈতিক চাপৰ দিনত তেওঁলোকৰ বহু বেছি উৎপাদিত ধানৰ মূল্য মাত্ৰ মোণত চাৰিটকা হলহেঁতেন।

ইয়াৰ পূৰ্ব্বে পুঁজিপতিসকলে, মিল মালিক সকলে ধানৰ মোণে ৫/৬ টকা দি খৰিদ কৰিছিল। টকা ধাৰলৈ দি বছৰৰ মূৰত তাৰ বাবদ আৰু কম ৰেটত ধান আদায় কৰিছিল আৰু অনেক সময়ত টকা আদায় দিব নোৱাৰিলে আধাদামত দ্বিগুণ ধান আদায় কৰি দুখীয়া খেতিয়ক সকলক হাৰাশাস্তি কৰিছিল। সুদে মূলে ধাৰৰ টকাৰ মাত্ৰা চৰি গৈছিল আৰু সেই অনুপাতে বেচি পৰিমাণৰ ধান আদায় কৰিছিল। এতিয়া State trading হোৱাৰ পৰা আমাৰ দুখীয়া খেতিয়ক সকল তেওঁবিলাকৰ কবলৰ পৰা মুক্ত হৈছে বুলি কব লাগিব আৰু State trading হোৱাৰ পৰা এই মহাজন সকলৰ কিছু অসুবিধাই দেখা দিছে। তাৰ ফলত এওঁলোকে State trading ৰ বিফলতা আনিবলৈ যৎপৰনাস্তি চেষ্টা কৰিছে। এই ষ্টেট ট্ৰেডিংৰ কাৰণেই আজি নিবনুৱা সমস্যাৰ বহুতো সমাধান হৈছে। ইয়াৰ কাৰণে, 'স্কেল মেন' টানি ক্লাৰ্ক, চেক্ৰেটাৰী আদি কৰ্ম্মচাৰী নিয়োগ কৰিব লগা হৈছে। এই বিলাক কামত আমাৰ ভালেমান ডেকা লৰা নিয়োজিত হৈছে। আমাৰ অঞ্চলত ৮টা মিলে প্ৰায় ৪ লাখ লোকক তেওঁলোকৰ কবলত ৰাখিছে। State trading ৰ ফলত কমকৈও এহেজাৰ ডেকাৰ কৰ্ম্ম সংস্থান হৈছে। ইয়াৰ ওপৰত মিল মালিক সকলে সকলো স্তৰতে দুখীয়া খেতিয়ক সকলক পীড়ি আহিছিল। State trading ৰ পৰা এতিয়া সকলো দূৰ হব বুলি বিশ্বাস কৰিলো।

(At this stage, there was a great confusion inside the House),

**The CHAIRMAN (Shri Ramnath Das)**: No direct conversation is allowed in the House.

(State trading) হোৱাৰ পৰা মিল বিলাকে ধান আদিৰ সংগ্ৰহ মিলৰ দুৱাৰত খোৱাই মিল বিলাকৰ সুবিধাহে হৈছে..............(*voices*).

**The CHAIRMAN (Shri Ramnath Das)**: Order, order.

**Maulavi RAHIMUDDIN AHMED (Jamunamukh)**: State trading বিলাক বিফল কৰিবৰ কাৰণে মিল মালিক সকলৰ অভিযানত তেওঁলোকৰ নিয়োজিত কৰ্ম্মচাৰীয়ে State trading মুৰ্দ্দাবাদ বুলি চিঞৰি ফুৰিছেনে তাৰোপৰি তেওঁলোকে চৰকাৰক ৱাৰ্নিং (warning) দিছে যে—যেহেতু State trading উলিয়াই মিল বিলাকৰ মহাজন সকলৰ অপকাৰ সাধন কৰিছে—মিল বন্ধ কৰি দিব খুজিছে আদি অজুহাত দেখুৱাই হাইকৰ্টত মকৰ্দ্দমা কৰিব।

(এই স্তৰত নানান প্ৰশ্ন আৰু কথোপকথনৰ ফলত confusion ৰ সৃষ্টি হয়)।

**The CHAIRMAN (Shri Ramnath Das)**: Order, order, whenever one hon. Member is on his legs and goes on speaking, frequent interruption is not desirable and I will not allow it.

আপুনি কিমান সময় লব ?

**Maulavi RAHIMUDDIN AHMED**: দহ মিনিট লাগিব।

**The CHAIRMAN (Shri Ramnath Das)** : নহয় আপোনাক ৩ মিনিট সময় দিলো।

